


গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ১ আগষ্ট ২০২৫/১৫ শাওন ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ
● সংখ্যা - ১৪ ● Vol - 15, Issue - 15

## উৰিয়ামঘাটৰ বেদখলস্থলী পৰিদৰ্শন মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

### পদ্ধতিগত আৰু প্ৰণালীবদ্ধভাৱে ৰাজ্যৰ ভিজিআৰ, পিজিআৰ, সত্ৰ-নামঘৰ, বনভূমি আদিত হোৱা সকলো অবৈধ আগ্ৰাসন পৰ্যায়ক্ৰমে চৰকাৰে মুক্ত কৰিব ঃ মুখ্যমন্ত্ৰী





**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গোলাঘাট জিলাৰ উৰিয়ামঘাটত উপস্থিত হৈ অঞ্চলটোত বেদখলীকৃত তথা চৰকাৰে উচ্ছেদৰ বাবে জাননী জাৰি কৰা অঞ্চলসমূহ পৰিদৰ্শন কৰে। ইয়াৰ পাছতে সেই স্থানত উপস্থিত থকা সাংবাদিকৰ সৈতে হোৱা কথোপকথনত মুখ্যমন্ত্ৰীয়ে কয় যে এই সমগ্ৰ অঞ্চলটোৰ হাজাৰ-হাজাৰ বিঘা মাটি একাংশ লোকে বেদখল কৰি আছে। আজিৰ পৰিদৰ্শনকালত অঞ্চলটোত একো একোটা পৰিয়ালে ৩০০-৪০০ বিঘা পৰ্যন্ত ভূমি বেদখল কৰি বিভিন্ন অৰ্থনৈতিক কাৰ্যকলাপত লিপ্ত হোৱাৰ কথা তেওঁ নিজে প্ৰত্যক্ষ কৰিলে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই ক্ষেত্ৰত স্বাভাৱিকতে চৰকাৰ নিৰৱে থকা সম্ভৱ নহয় আৰু চৰকাৰে বিহিত পদক্ষেপ গ্ৰহণ কৰিবই লাগিব। অঞ্চলটোক সুৰক্ষিত কৰাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰিব খোজা পদক্ষেপত সহযোগিতা আগবঢ়াবলৈ তেওঁ ৰাইজলৈ আহ্বান জনায়। অঞ্চলটোৰ বেদখলকাৰীসকল ভূমিহীন নাগৰিক নহয় বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বেদখলকাৰীসকলৰ অন্যান্য স্থানতো ঘৰ-মাটি আছে। বেদখলকাৰীসকলৰ প্ৰায় ৭০ শতাংশ লোকেই এই ক্ষেত্ৰত প্ৰশাসনলৈ সহযোগিতা আগবঢ়াই নিজে নিজেই সেই স্থানৰ পৰা আঁতৰি গৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অঞ্চলটোৰ ভূমি বেদখল কৰি থকা লোকসকল ৰাজ্যৰ কাছাৰ, শ্ৰীভূমি, ধুবুৰী, বৰপেটা, হোজাই, নগাঁও, মৰিগাঁও আদি জিলাৰ লগতে পশ্চিম বংগ, বিহাৰৰ দৰে বহিঃৰাজ্যৰ পৰা অহা বুলিও তেওঁ জানিব পাৰিছে। অৱশ্যে বেদখলকাৰীসকল প্ৰকৃততে কোন স্থানৰ পৰা আহিছে সেয়া নিশ্চিত কৰাৰ বাবে তেওঁলোকৰ নাম ঠিকনা সংগ্ৰহ কৰি সংশ্লিষ্ট জিলাসমূহক অৱগত কৰা হ'ব আৰু সেই জিলাসমূহৰ আয়ুক্তসকলে সেয়া নিশ্চিত কৰি প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব বুলি তেওঁ জানিবলৈ দিয়ে।

গোলাঘাট জিলাৰ নেঘেৰিবিল অঞ্চলত বেদখল কৰা লোকসকললৈও জাননী জাৰি কৰা হৈছে বুলি অৱগত কৰি তেওঁ কয় যে অহা দুই-তিনি দিনৰ ভিতৰত এই লোকসকলো স্বইচ্ছাই তাৰ পৰা আঁতৰি যাব বুলি তেওঁ আশাবাদী। বেদখলকাৰীসকলে উৰিয়ামঘাট অঞ্চলক ড্ৰাগছ, চুৰি-ডকাইতি, মাৰণাস্ত্ৰ আদিৰ পয়োভৰেৰে এক অপৰাধৰ কেন্দ্ৰলৈ ৰূপান্তৰ কৰাৰ অভিযোগ লাভ কৰাৰ কথাও সদৰী কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বেদখলকাৰীসকল আঁতৰি যোৱাৰ পিছত এতিয়া ৰাইজৰ সহযোগত অঞ্চলটোক এক শান্তিপূৰ্ণ অঞ্চল হিচাপে প্ৰতিষ্ঠা কৰিব পৰা যাব বুলি তেওঁ নিশ্চিত। অঞ্চলটোত উপলব্ধ শিল-বালি, মূল্যৱান বনজ সম্পদ আদি বন বিভাগ আৰু প্ৰশাসনৰ জৰিয়তে চৰকাৰী ১০ পৃষ্ঠাত

## অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ বৃহত্তৰ শুৱালকুছি শাখাৰ সম্বৰ্ধনা সভা

### বিদ্যাধন পৃথিৱী জয়ৰ আমোঘ অস্ত্ৰ ঃ ৰঞ্জিত ভট্টাচাৰ্য



**ৰমেন ভৰালী, বংশৰ ঃ** অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ বৃহত্তৰ শুৱালকুছি শাখাৰ উদ্যোগত যোৱা ২৭ জুলাইত ২০২৪-২৫ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা শুৱালকুছিৰ ১৩ খন বিদ্যালয়ৰ ৩০০ গৰাকী ছাত্ৰ-ছাত্ৰীক ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। শুৱালকুছি প্ৰেক্ষাগৃহত অনুস্থিত সভাত ছাত্ৰ-ছাত্ৰীসকলক মানপত্ৰ কিতাপ আৰু দলীয় গলবান্ধনীৰে সম্ভাষণ জনাই আগন্তুক দিনৰ উজ্বল ভৱিষ্যত কামনা কৰে পৰিষদৰ কৰ্মকৰ্তাসকলে। সভাত মুখ্য অতিথিৰ আসন অলংকৃত কৰি ভাৰতীয় জনতা পাৰ্টীৰ কৃষান মৰ্চাৰ ৰাজ্যিক সাধাৰণ সম্পাদক ৰঞ্জিত ভট্টাচাৰ্যই ছাত্ৰ-ছাত্ৰীসকল কেৱল মাত্ৰ উচ্চ শিক্ষিত হোৱাতোৱেই পৰিচয় নহয় বুলি কয়। যদি উচ্চ শিক্ষাৰ আচলত ধৰি শিপাৰ পৰা বিছিন্ন হয় জাতি মাতি ভেতি স্বাদ পাহৰি পেলাই তেনে উচ্চ শিক্ষাই সমাজৰ বা লোক কল্যাণৰ কামত নাহে। যদিওবা শিক্ষা পৃথিৱী জয় কৰাৰ আমোদ অস্ত্ৰ। তথাপি ১০ পৃষ্ঠাত

## নগাঁৱৰ ধিঙত অসম আন্দোলনৰ সতীৰ্থ সন্মিলনৰ পুনৰ মিলন সভাৰ সফল ৰূপায়ণ

### চৰকাৰক ধিং অঞ্চলৰ সত্ৰসমূহ বেদখল মুক্ত কৰাৰ দাবী সতীৰ্থ সন্মিলন সমিতিৰ





**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলাৰ ধিং মহাবিদ্যালয়ৰ পেক্ষাগৃহত ধিঙৰ অসম অন্দোলনৰ সতীৰ্থ সকলৰ উদ্যোগত আৰু ধিং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহযোগত সতীৰ্থসকলৰ পুনৰ মিলন অনুষ্ঠানটি যোৱা ইংৰাজী ২৭/৭/২০২৫ তাৰিখে অতি সফলতাৰে সম্পন্ন হৈ যায়। অনুষ্ঠানটিত অসমৰ হকে অনবৈদ্য অৱদান আৰু জীৱন-মৃত্যুৰে যুঁজ দি কাৰাবাস কটোৱা এসময়ৰ বৈপ্লৱী ব্যক্তিসকলে নিজৰ মনৰ ভাৱ প্ৰকাশ কৰাৰ লগতে যাতে এই বৈপ্লৱিক লোকসকলে আপদ-বিপদত ইজনে সিজনক সহায়ৰ হাত আগবঢ়াব পাৰে তাৰ ওপৰত এখন আলোচনা সভা অনুষ্ঠিত কৰা হয়। পিতাম্বৰ শইকীয়াৰ সভাপত্বিত সভাৰ উদ্দেশ্য ব্যাখ্যা দাঙি ধৰে একালৰ অসম আন্দোলনত বলিষ্ঠ ভূমিকা পালন কৰাৰ লগতে অসম আন্দোলন সতীৰ্থ সন্মিলনৰ মুখ্য আহ্বায়ক প্ৰকাশ বৰাই। সভাত বৰাই উদ্দেশ্য ব্যাখা কৰি কয় - আমি সকলোবোৰ একগোট হোৱাৰ উদ্দেশ্য এটাই যে অসম আন্দোলনৰ সময়ত ৮৫৫ গৰাকী নিৰিহ লোকে প্ৰাণআহুতি দিছিল। সেইসকলৰ পৰিয়ালটোক যাতে অসমৰ ৰাইজে চিনি পায় তাৰে লক্ষ্য উদ্দেশ্য আগত ৰখাৰ লগতে জীয়াই থকাৰ সতীৰ্থসকলক উঠি অহা নৱপ্ৰজন্মসকলৰ মাজত চিনাকী কৰি দিয়াৰ উদ্দেশ্যাই হৈছে সতীৰ্থ সন্মিলনৰ মূলমন্ত্ৰ। তদুপৰি অনুষ্ঠান ভাগ অতি সুন্দৰ আৰু নিয়াৰিকৈ চলাই নিয়াৰ বাবে আয়োজন সকলৰ মাজৰ পৰা বিশেষকৈ মই ৰুদ্ৰকান্ত শইকীয়া আৰু ড° জোনাৰাম নাথক শলাগ লৈছো বুলিও বৰাই জানিবলৈ দিয়ে। সভাৰ উদ্বোধক তথা ধিং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান হাজৰিকাৰ লগতে খাগৰিজান মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° জোনাৰাম নাথে সাৰুৱা বক্তব্য দাঙি ধৰাৰ উপৰিও এসময়ৰ অসম আন্দোলনত জড়িত হৈ পৰা ধিঙৰ ভাস্কৰ শইকীয়া নগাঁও জিলাৰ প্ৰাক্তন ছাত্ৰ নেতা শ্যামল দেউৰী, ৰিতুল শৰ্মা বৰপূজাৰী, সত্যজিত ভূঞা, সত্যেন্দ্ৰ শইকীয়া, খনীন গোস্বামী আৰু ৰুদ্ৰকান্ত শইকীয়া, মৰিগাঁও জিলাৰ প্ৰাক্তন ছাত্ৰ নেতা প্ৰদীপ বৰা, অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া হিৰণ্য বৰাকে প্ৰমুখ্য কৰি ভালেসংখ্যক অসম আন্দোলনত সক্ৰিয় ভূমিকা পালন কৰা কৰ্মীয়ে তেওঁলোকৰ বহুমূলীয়া মন্তব্য আগবঢ়ায়। আনহাতে সভাৰ আৰম্ভণিতে প্ৰভাত শৰ্মাই শ্বহীদ তৰ্পণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ইপিনে ১০ পৃষ্ঠাত

# নদুৱাৰ সমষ্টিভিত্তিক ফুটবল প্ৰতিযোগিতাৰ শুভ উদ্বোধন বিধায়ক পদ্ম হাজৰিকাৰ



**চন্দন শৰ্মা, তেজপুৰ ঃ** নদুৱাৰ সমষ্টিৰ অন্তৰ্গত বালিজুৰিত উত্তৰ নাগশংকৰ গাঁও পঞ্চায়তৰ উদ্যোগত আয়োজিত হোৱা ২০২৫ বৰ্ষৰ প্ৰয়াত ধনপাল লিম্বু সোঁৱৰণী নদুৱাৰ সমষ্টিভিত্তিক ফুটবল প্ৰতিযোগিতাৰ দেওবাৰে বিয়লি প্ৰয়াত ধনপাল লিম্বুৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনৰ লগতে মাল্যাৰ্পণ প্ৰদান কৰি ৰঙা ফিটা কাটি শুভ উদ্বোধন কৰে নদুৱাৰ সমষ্টিৰ জনপ্ৰিয় বিধায়ক তথা ভৰলীকোঁৱৰ উপাধীৰে বিভূষিত পদ্ম হাজৰিকাই। উক্ত উদ্বোধনী অনুষ্ঠানত বিধায়কগৰাকীয়ে তেখেতৰ ভাষণ প্ৰসংগত কয় যে - 'উত্তৰ নাগশংকৰ গাঁও পঞ্চায়তৰ উদ্যোগত আয়োজিত কৰা ২০২৫ বৰ্ষৰ প্ৰয়াত ধনপাল লিম্বু সোঁৱৰণী নদুৱাৰ সমষ্টিভিত্তিক ফুটবল প্ৰতিযোগিতাখনৰ বালিজুৰি খেলপথাৰত উদ্বোধন কৰি আনন্দ অনুভৱ কৰিছোঁ। উক্ত প্ৰতিযোগিতাখন ১৯ খন গাঁও পঞ্চায়তৰ মাজত অনুষ্ঠিত হ'ব। বালিজুৰি, গেলাহাটিঙা, দিকৰাই খেলপথাৰত প্ৰতিযোগিতাখনৰ সফল সমাপ্তিৰ মই কামনা কৰিছোঁ। লগতে ৰাইজক উদ্দেশ্যি কও যে চাৰি কোটি টকাৰ ব্যয় সাপেক্ষে বালিজুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ উন্নিতকৰণৰ আধাৰশিলা স্থাপনৰ ঘোষণা কৰি দীৰ্ঘদিনীয়া ৰাইজৰ অনুৰোধ ৰক্ষা কৰিবলৈ পাই মই নথৈ আনন্দিত হৈছো। উক্ত উদ্বোধনী অনুষ্ঠানত বিধায়কগৰাকীৰ লগত সংগ দিয়ে শোণিতপুৰ জিলা বিজেপিৰ উপ-সভাপতি নিতুমনি বৰা, ক্ৰীড়া সন্থাৰ সংগঠক গৌতম লাহন, উত্তৰ নাগশংকৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী দিলমনি দত্ত শইকীয়া, উত্তৰ নাগশংগৰ গাঁও পঞ্চায়তৰ তত্বাৱধায়ক তথা জেষ্ঠ কৰ্মী ক্ষেমৰাজ ছেত্ৰী, পশ্চিম মূঢ়াদল গাঁও পঞ্চায়তৰ আহ্বায়ক বিনয় গৌতম, পশ্চিম মুঢ়াদল গাঁও পঞ্চায়তৰ সভাপতি অজিত পায়েং, নাগশংকৰ মণ্ডলৰ সহকাৰী সম্পাদক জান শইকীয়া, শক্তি কেন্দ্ৰৰ আহ্বায়ক হেমন্ত শৰ্মাৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। উদ্বোধনী খেলখনত উত্তৰ নাগশংকৰ গাঁও পঞ্চায়তৰ ফুটবল দলে ৫-০ গ'লৰ ব্যৱধানত দক্ষিণ চিলাবন্ধা গাঁও পঞ্চায়তৰ ফুটবল দলক পৰাস্ত কৰি বিজয় লাভ কৰে। উক্ত বিজয়ী দলৰ শ্ৰেষ্ঠ খেলুৱৈক বিধায়কগৰাকীয়ে মেডেল প্ৰদানৰে শুভেচ্ছা জ্ঞাপন কৰে।

# আমাৰ সংস্কৃতি আমাৰ পৰিচয়



**লাৱণ্য দেৱী, মৰিগাঁও ঃ** ২৫/৭/২৫ তাৰিখে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ সহযোগত নিউ গুৱাহাটী বিধান সভা সমষ্টিৰ অন্তৰ্গত বৰবাৰীস্থিত দুৰ্গামন্দিৰ প্ৰাংগণৰ ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা পোন্ধৰ দিনীয়া গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। ছিজিজি থিয়েটাৰৰ গুৰি ধৰোতা তথা মুখ্য প্ৰশিক্ষক ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ স্নাতক বাবী বৰুৱা আৰু ভৰত চুতীয়া প্ৰশিক্ষক হিচাপে থাকি ছাত্ৰ-ছাত্ৰীসকলক সুন্দৰ ভাৱে প্ৰশিক্ষণ প্ৰদান কৰি প্ৰদৰ্শন কৰাৰ বাবে কম সময়ৰ ভিতৰত মনোগ্ৰাহী কৰি তুলিবলৈ সক্ষম হয়। উক্ত অুষ্ঠানত গুৱাহাটী উন্নয়ন কৰ্তৃপক্ষৰ উপাধ্যক্ষ ধীৰা তালুকদাৰ ডাঙৰীয়ানীয়ে বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰে। অনুষ্ঠানত ৫৯ নং ৱাৰ্ডৰ পাৰিষদ অসীম শইকীয়া ডাঙৰীয়া, অসম পৰিবহণ নিগমৰ উপাধ্যক্ষ প্ৰণৱ জ্যোতি লহকৰ ডাঙৰীয়া, নিউ গুৱাহাটী সমজিলাৰ আয়ুক্ত ডাঙৰীয়ানী, সহআয়ুক্ত ডাঙৰীয়ানী, বিশিষ্ট শিল্পী পাকিজা বেগম ডাঙৰীয়ানী, কৰ্মশালা চিলেকচন কমিটীৰ সদস্য অৰুনজ্যোতি শইকীয়া ডাঙৰীয়া, দৈনিক জনমভূমি কাকতৰ সাংবাদিক মনোৰঞ্জন বৰি ডাঙৰীয়াৰ লগতে বিশিষ্ট ব্যক্তিসকল, আই মাতৃ সকল, শিক্ষাৰ্থীসকলৰ লগতে অভিভাৱকসকল উপস্থিত থাকে। চিজিজি থিয়েটাৰ গুৱাহাটীৰ বৰবাৰী শাখাৰ সভাপতি বিনোদ পাটোৱাৰী ডাঙৰীয়াই অনুষ্ঠানত সভাপতিত্ব কৰে।

# চালানী মাছে প্ৰাধান্য বিস্তাৰ কৰিছে অসমৰ বজাৰ

## কালৰ সোঁতত বিলীন হোৱাৰ উপক্ৰম বহুকেইটা থলুৱা মাছৰ প্ৰজাতি

**জয়ন্ত মুদৈ, নগাঁও ঃ** বৰ্তমান সময়ত বহিঃৰাজ্যৰ পৰা অহা চালানী মাছে অসমৰ বজাৰত প্ৰাধান্য বিস্তাৰ কৰিবলৈ সক্ষম হোৱাৰ বিপৰীতে থলুৱা প্ৰজাতিৰ মাছবোৰ বিচাৰি ফুৰিলেও পাবলৈ নোহোৱা হৈছে। অৱশ্যে কিছু বছৰৰ আগলৈকে অসমৰ গাঁৱে-ভূঞে থকা খাল, বিল, পুখুৰী, ডুবি, নৈ, জান আদি জলাশয়বোৰত বিভিন্ন প্ৰজাতিৰ থলুৱা মাছ অতিকে সহজলভ্য আছিল। কিন্তু অৱধাৰিতভাৱে সম্প্ৰতি এই মাছবোৰ দিনকদিনে হ্ৰাস পাবলৈ ধৰা পৰিলক্ষিত হৈছে। এক কথাত ক'বলৈ গ'লে এনে পৰিস্থিতিৰ সৃষ্টি হৈছে যে অসমবাসীয়ে পাহৰিয়েই গৈছে ভাঙোন, মোৱা, খলিহনা, পুঠি, নাৰ, বাত, পাভ, কৰতি, ডঁৰিকনা, খোপা, এলেঙী, চেঙেলী, গৰৈ, বটিয়না, কান্দুলী, গেদগেদী, শিঙৰা, পাটিমুটা, চেলেকণা, ঢোলবাই, মাগুৰ, কুহি, খালৈভাঙি, ককিলাদাৰ, কাৱৈ আদি থলুৱা মাছৰ সোৱাদ। আনকি এই থলুৱা মাছেৰে বিধে বিধে জ্বলা, টেঙা বা খাৰ আদিৰে ৰন্ধা তৃপ্তিদায়ক আঞ্জাৰ পৰা বঞ্চিত হোৱাৰ দৰে পৰিস্থিতিয়ে বিৰাজ কৰিছে খুদ গঞা ৰাইজৰ মাজত। কিয়নো, এসময়ত অসমৰ গ্ৰামাঞ্চলবোৰৰ খাল, বিল, পুখুৰী আদি জলাশয়বোৰত খলখলাই থকা থলুৱা প্ৰজাতিৰ মাছবোৰৰ কিছুমান প্ৰজাতি বৰ্তমান লুপ্ত হৈ গৈছে আৰু কিছু সংখ্যক অচিৰেই লুপ্ত হোৱাৰ দিশে আগবাঢ়িছে। আনকি, সংৰক্ষিত বনাঞ্চলৰ ভিতৰত থকা সুৰক্ষিত জলাশয়বোৰত থকা বহুসংখ্যক মাছৰ প্ৰজাতিও একাংশ অসাধু লোকৰ কবলত পৰি অস্তিত্বৰ সংকটত পৰিছে। কাজেই, অসমত থলুৱা মাছৰ দুৰ্লভ হৈ পৰাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি অন্ধ্ৰপ্ৰদেশ, কানপুৰ, পশ্চিম বংগ, মধ্য প্ৰদেশ, উত্তৰ প্ৰদেশ আদিৰ পৰা বৰফৰ মাজত অহা চালানী মাছে অসমৰ বজাৰ হেলাৰঙে দখল কৰি লৈছে। গতিকে এক পৰিস্থিতিত আমি সকলোয়ে থলুৱা মাছ সংৰক্ষণ তথা ইয়াৰ উৎপাদন বৃদ্ধিৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ সময় আহি পৰিছে। কিন্তু পৰিতাপৰ কথা যে, আমাৰ ৰাজ্যৰ বহুসংখ্যক মীনপালকে সম্প্ৰতি জলাশয়ত থলুৱা মাছৰ উৎপাদনৰ প্ৰতি গুৰুত্ব আৰোপ নকৰি টিলপিয়া, থাইলেণ্ড মাগুৰ, পাংগাছ, বিগ হেড, জাপানী কাৱৈ আদিৰ দৰে বাহিৰৰ মাছবোৰহে প্ৰতিপালন কৰি থলুৱা মাছৰ অস্তিত্বৰ প্ৰতি তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে। সেয়ে, আইন মতে নিষিদ্ধ এই মাছবোৰে এনেদৰে অসমৰ জলাশয়বোৰত প্ৰাধান্য লাভ কৰিব লাগিলে ভৱিষ্যতে আমাৰ থলুৱা মাছবোৰ একেবাৰে লুপ্ত হৈ যোৱাৰ আশংকা কৰিছে সচেতন লোকসকলে। এইক্ষেত্ৰত মীনপালকসকলে মীন আইন গ্ৰহণ কৰিছেনে নাই সেয়া চকু দিয়াৰ লগতে ইয়াক প্ৰয়োগ কৰাৰ ক্ষেত্ৰত মীন বিভাগ কঠোৰ হ'ব লাগিব। উল্লেখ্য, ১৯৯৭ চনৰ ভাৰতীয় মীন আইনৰ (৭১) ধাৰা অনুসৰি বছৰৰ মে' মাহৰ পহিলা তাৰিখৰ পৰা ১৫ জুলাইলৈ ৭ ছেন্টিমিটাৰ বাৰ, ১৪ ছেন্টিমিটাৰ বাৰতকৈ কম পাহৰ বেৰজাল, ফাঁচীজাল, মহাজালকে ধৰি আন কোনো ধৰণৰ জাল মীন মহলত ব্যৱহাৰ কৰিব নোৱাৰিব। তদুপৰি গোটেই বছৰজুৰি এক ছেন্টিমিটাৰ বাৰ- দুই ছেন্টিমিটাৰ বাৰৰ কম পাহৰ আঠুৱাজাল মীন মহলত ব্যৱহাৰ কৰাটো একেবাৰে নিষিদ্ধ। ঠিক সেইদৰে, এক মে'ৰ পৰা জুলাই মাহৰ পোন্ধৰ তাৰিখলৈ ৰৌ, মিৰিকা, চিতল, কলিয়াজাৰ, খৰিয়া, পিঠিয়া, ঢেঁকৰ, কুড়ি আদিৰ লগতে কণীধৰা সকলো মাছ ঘোষিত মীন মহলত মৰাটো আইনমতে দণ্ডনীয়। কিন্তু বাস্তৱ ক্ষেত্ৰত এই আইনবোৰ পুৰামাত্ৰাই উলংঘা কৰি থকা দেখা গৈছে। ইফালে, মীন আইন আন এক ধাৰা মতে এক আগষ্টৰ পৰা ৩১ অক্টোবৰলৈ উল্লেখিত প্ৰজাতিৰ মাছৰ ১০ ছেন্টিমিটাৰ দৈঘ্যতকৈ সৰু মাছ মৰা বা খোৱা তথা বিক্ৰী কৰাটো সম্পূৰ্ণৰূপে নিষিদ্ধ। তদুপৰি এক মে'ৰ পৰা পোন্ধৰ জুলাই পৰ্যন্ত কোনো খাল, বিল, পুখুৰী, ডুবী, সৰু নৈ বা মীন মহলত ৭ বৰ্গ ছেন্টিমিটাৰতকৈ সৰু ফাঁকৰ অস্থাৱৰ বান্ধ তৈয়াৰ কৰি মাছ মৰাটো মীন আইন বিৰোধী। যিকোনো কাৰণতে এই মীন আইন কোনোয়ে ভংগ কৰিলে সেই আইন ভংগকাৰীক দণ্ডাধীশ, আৰক্ষী বিষয়া, মীন সম্প্ৰসাৰণ বিষয়াকে ধৰি আন উচ্চ পদবীধাৰী বিষয়াই আটক কৰি বিধি অনুসৰি শাস্তি প্ৰদান কৰিব পাৰে। পিছে দুখৰ বিষয় আমাৰ ৰাজ্যত এই আইনবোৰৰ উপযুক্ত প্ৰয়োগ নোহোৱাত আমাৰ মাজৰ পৰা থলুৱা মাছৰ সংখ্যা দিনক দিনে চকুৰ আগতেই হ্ৰাস পাবলৈ ধৰিছে। গতিকে, নগাঁও জিলাৰ বহুকেইটা স্বেচ্ছাসেৱী সংগঠন তথা সচেতন নাগৰিকসকলে সকলো মীন উৎপাদক আৰু মৎস্য পালকক থলুৱা মাছ সংৰক্ষণ আৰু ইয়াৰ বংশবৃদ্ধিৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনাইছে।

# চকলাঘাটৰ সাৰ্ব্বজনীন কৈলাস নাথ মন্দিৰত ওলহ-মালহেৰে বিষহৰি মা মনসা পূজা উদযাপন

## বেদমন্ত্ৰৰ মাংগলিক ধ্বনিৰে মুখৰিত আকাশ-বতাহ



**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ হাতীচোং মৌজাৰ অন্তৰ্গত চকলাঘাটৰ ক্ষেত্ৰীগাঁওস্থিত হাতীচোং সঞ্জীৱনী সংস্কৃত টোল প্ৰাংগণত থকা সাৰ্ব্বজনীন কৈলাস নাথ মন্দিৰত এইবেলি পোন প্ৰথমবাৰৰ বাবে 'বিষহৰি মা মনসা' পূজা অনুষ্ঠিত কৰা হয়। আচলতে, জীৱ জগতৰ মংগলাৰ্থে সোমবাৰ আৰু মঙলবাৰে দুদিনীয়া কাৰ্যক্ৰমণিকাৰে কৈলাস নাথ মন্দিৰৰ মূল পুৰোহিত অৱনী শৰ্মা আৰু জ্যোতিষ চৰ্চাৰে খ্যাতি অৰ্জা সমাজহিতৈষী মহিলা নলিনী ভট্টাচাৰ্যৰ ঐকান্তিক প্ৰচেষ্টাত তথা নাট্যকৰ্মী ধ্ৰুৱজ্যোতি বৰা আৰু মন্দিৰ পৰিচালনা সমিতিৰ সক্ৰিয় সহযোগিতাত ৰাজহুৱাভাৱে আয়োজন কৰা হয় এই পূজাভাগ। তদুপলক্ষে, বিভিন্ন প্ৰান্তৰ পৰা অহা ভক্তৰ উপস্থিতিৰে হাতীচোং সঞ্জীৱনী সংস্কৃত টোল চৌহদত উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হয়। তদুপৰি শংখ আৰু ঘন্টাৰ সমান্তৰালকৈ উৰুলি আৰু পুৰোহিতৰ দ্বাৰা উচ্চাৰিত বেদমন্ত্ৰৰ মাংগলিক ধ্বনিৰে আকাশ-বতাহ মুখৰিত হৈ পৰা দেখা যায়। কাৰ্যসূচী অনুসৰি সোমবাৰে সন্ধিয়া আনুষংগিক ধৰ্মীয় ৰীতি-নীতিৰ মাজেৰে অধিবাস পৰ্ব সম্পন্ন কৰা হয়। ঠিক সেইদৰে মঙলবাৰে দ্বিতীয় দিনা পুৱাৰ ভাগত অঞ্চলৰ মহিলাসকলৰ দ্বাৰা জলাৰোহন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীত মহিলাসকলে অসমীয়া জাতীয় সাজ-পাৰ পৰিধান কৰি পদব্ৰজে পূজাস্থলীৰ কিছু নিলগতে থকা সোনাই নৈৰ পৰা কলচিত পবিত্ৰ জল মন্দিৰলৈ কঢ়িয়াই আনি এক নান্দনিক পৰিবেশৰ সুচনা কৰে। ইয়াৰ পিছতে পৰ্যায়ক্ৰমে মনসা পূজা, বিষ্ণু পূজা আৰু শিৱাৰ্চন পৰম্পৰাগত বিধি-বিধানেৰে সম্পন্ন কৰা হয়। মনসা পূজা মনোৰঞ্জন শৰ্মাৰ দ্বাৰা, বিষ্ণু পূজা ডম্বৰু শৰ্মা আৰু শিৱাৰ্চন কনক শৰ্মাৰ দ্বাৰা শুভাৰম্ভ কৰাৰ বিপৰীতে চণ্ডীপাঠ কৰে জ্যোতিপ্ৰসাদ শৰ্মাই। এই কাৰ্যসূচীসমূহত মন্দিৰ পৰিচালনা সমিতিৰ উপদেষ্টা ত্ৰৈলোক্য ভট্টাচাৰ্য, প্ৰদীপ ভট্টাচাৰ্য, সভাপতি ধ্ৰুৱজ্যোতি বৰা আৰু সম্পাদক মণি আগমাচাৰ্যৰ লগতে কাজল শৰ্মা, মুৰুলী শৰ্মা, গৌতম বৰা, নিৰঞ্জন বৰাকে ধৰি সমূহ বিষয়ববীয়া আৰু বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইফালে, এই পূজাৰ লগত সংগতি ৰাখি উদ্যোক্তাসকলে আমন্ত্ৰণ কৰি অনা কামৰূপ জিলাৰ বঙৰাৰ 'মা ভক্তি ওজা দল'ৰ দ্বাৰা ওজা পৰিৱেশনেৰে উপস্থিত সকলোকে বেছ আপ্লুত কৰি তোলাৰ বিপৰীতে পূজাৰ পৰিৱেশক অধিক মনোগ্ৰাহী কৰি তোলে।

# মাজুলী জিলা ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন- ‘শিক্ষাকোষ’ৰ সাহায্য প্ৰদান অনুষ্ঠান



**বিকাশ শইকীয়া, মাজুলী ঃ** সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ উদ্যোগত এইবাৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক বিশেষ অভিনন্দন জনোৱাৰ লগতে জিলা ছাত্ৰ সন্থাৰ ‘শিক্ষাকোষ’ৰ তৰফৰ পৰা শৈক্ষিক সাহায্য প্ৰদান উদ্দেশে মাজুলী মহাবিদ্যালয়ত এক বিশেষ অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হয়। মধ্য মাজুলী কমলাবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত আয়োজিত এই অনুষ্ঠান উপলক্ষে পুৱা মহাবিদালয়ৰ এন চি চিৰ পৰিচালক কৰ্মচাৰী নাৰায়ণ শইকীয়া, অনাময় কৰ্মচাৰী দীপক দাস আৰু নৈশ চৌকীদাৰ মাণিক ৰেগনৰ নেতৃত্বত মহাবিদ্যালয়ৰ এন চি চিৰ কেডেটসকলে মহাবিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ কৰে। পুৱা ৯ বজাত জিলা ছাত্ৰ সন্থাৰ ভাঃ সভাপতি প্ৰাঞ্জল শইকীয়াই পতাকা উত্তোলন কৰাৰ পাছতে মহাবিদ্যালয় প্ৰাংগণত থকা ছহিদ বেদীত পুষ্পাঞ্জলি তৰ্পণ কৰে জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ ৰাজখোৱাই। দিনৰ ১১ বজাৰ পৰা কেশৱৰাম বৰা প্ৰেক্ষাগৃহত জিলা ছাত্ৰ সন্থাৰ ভাঃ সভাপতি প্ৰাঞ্জল শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখনি মাজুলী মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ দ্বাৰা পৰিৱেশিত এটি সমৱেত সংগীতেৰে শুভাৰম্ভ কৰা হয়। মুকলি সভাখনি উদ্বোধন কৰি দিয়া ভাষণত মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, “এলাহ হৈছে শিক্ষাৰ্থী জীৱনৰ আটাইতকৈ ডাঙৰ শত্ৰু। সময়ৰ কাম সময়ত নকৰাটোৱেই এসময়ত হৈ পৰে মানসিক দ্বন্দ্বৰ ঘাই কাৰক, যি শাৰীৰিক-মানসিক স্বাস্থ্য বিঘ্নিত কৰে।” জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ ৰাজখোৱা আৰু শিক্ষা সম্পাদক যদুমণি হাজৰিকাই আঁত ধৰা সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকি মাজুলী জিলাৰ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে প্ৰতিযোগিতাৰ যুগত শিক্ষাৰ্থীসকলে আৰম্ভণিৰপৰাই প্ৰতিযোগিতামূলক পৃথিৱীত তিষ্ঠি থাকিবৰ বাবে প্ৰস্তুতি চলোৱাৰ প্ৰয়োজন বুলি উল্লেখ কৰে। মাজুলী জিলা ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সূৰ্য কুমাৰ ভূঞাই সন্থাৰ দৃষ্টিভংগী ব্যাখ্যা কৰাৰ পাছতে সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মা আৰু জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা পৱিত্ৰ গোস্বামীয়ে উপস্থিত শিক্ষাৰ্থীসকলক উদ্দেশি বক্তব্য আগবঢ়ায়। অনুষ্ঠানত জিলাৰ সহকাৰী আয়ুক্ত সীমান্ত বৰগোহাঁই, মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা জিলা ছাত্ৰ সন্থাৰ ‘শিক্ষাকোষ’ৰ প্ৰতিষ্ঠাপক সভাপতি উমাকান্ত ৰাজখোৱা, ৰঙাচাহী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰামসাগৰ নাথ, পূব মাজুলী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড° অৰূপ কুমাৰ বৰা, ৰঙাচাহী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ আনন্দ নাথ, মাজুলী জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱা, মাজুলী জিলা সাংবাদিক সন্থাৰ সম্পাদক ডিম্বেশ্বৰ দত্ত, সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ৰংগৰস মহন্ত, ‘শিক্ষাকোষ’ৰ ভূতপূৰ্ব সম্পাদক, প্ৰবক্তা যদু কলিতা, সাংবাদিক দীপু বৰা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক জীৱন চন্দ্ৰ শইকীয়া, প্ৰধান শিক্ষক পদুম মহন্ত, পৰিৱেশকৰ্মী-শিক্ষাবিদ অতুল হাজৰিকা, ‘শিক্ষাকোষ’ৰ উপসভাপতি গুণেশ্বৰ গায়ন, অসম সেনাৰ কেন্দ্ৰীয় আহ্বায়ক দীপক নেওগ, শিক্ষাকোষ’ৰ সম্পাদক ৰঞ্জিৎ সেন, অসম উন্নতি সভাৰ সাধাৰণ সম্পাদক দুলাল ভূএগা, শিক্ষাবিদ উপেন বৰা, কুমুদ বৰা, অঞ্জন দত্ত প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। সভাত আৰ্থিকভাৱে পিছপৰা মেধাৱী শিক্ষাৰ্থীসকলক প্ৰয়াত গোলাপ চন্দ্ৰ নাথ, সভাৰাম নাথ, হেমপ্ৰভা দত্ত, তিলেশ্বৰ শইকীয়া আৰু সুভদ্ৰা শইকীয়া, গোলোক কলিতা, মোলাৰাম নাথ আৰু ডাবহী নাথ, ভোলাৰাম নাথ আৰু দুষ্মন্ত গায়ন স্মাৰক বঁটাসমূহ প্ৰদান কৰাৰ লগতে ৭০ গৰাকী মেধাৱী অথচ আৰ্থিকভাৱে পিছপৰা ছাত্ৰ-ছাত্ৰীক ‘শিক্ষাকোষ’ৰ বিশেষ আৰ্থিক সাহায্য প্ৰদান কৰা হয়। সভাতে মধ্য মাজুলী কমলাবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ তৰফৰ পৰা কমলাবাৰী অঞ্চলৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক মানপত্ৰেৰে সম্ভাষণ জনোৱা হয়।

# ছাত্ৰ-ছাত্ৰীৰ কল্যাণৰ বাবে অসমৰ মুখ্যমন্ত্ৰীয়ে আগবঢ়োৱা সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান ঃ ৰঞ্জিত ভট্টাচাৰ্য

## পছৰীয়াত কৃতিমান ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা



**ৰমেন ভৰালী, বংশৰ ঃ** ভাৰতীয় জনতা পাৰ্টীৰ শুৱালকুছিৰ মণ্ডলৰ অন্তৰ্গত ৮৮নং পছৰীয়া গাওঁ পঞ্চায়তৰ উদ্যোগত যোৱা ২৭ জুলাইত অনুষ্ঠিত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষা আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ কৃতিমান ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হয়। কামৰূপ জিলাৰ পছৰীয়া ৰাম সৰস্বতী প্ৰেক্ষাগৃহত বিশিষ্ট সমাজকৰ্মী হৰেন কলিতাৰ সভাপতিত্বত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ সম্বৰ্ধনা সভাত অসমৰ মুখ্যমন্ত্ৰী মহোদয়ৰ ব্যক্তিগত সহায়ক তথা ভাৰতীয় জনতা পাৰ্টীৰ কিষাণ মৰ্চাৰ ৰাজ্যিক সাধাৰণ সম্পাদক ৰঞ্জিত ভট্টাচাৰ্যই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি এনেদৰে কৃতিমান ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা কাৰ্যই ছাত্ৰ-ছাত্ৰী সকলক উৎসাহিত কৰে আৰু সুদূৰ ভৱিষ্যতে ৰাষ্ট্ৰ নিৰ্মাণত ব্ৰতী হোৱাত সহায়ক হয় বুলি কয়। তেখেতে ভাষণ প্ৰসংগত ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নত ব্ৰতী হ’বলৈ আহ্বান জনোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ কল্যাণৰ বাবে অসমৰ মাননীয় মুখ্যমন্ত্ৰীয়ে আগবঢ়োৱা বিভিন্ন সুবিধাৰ কথা উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নত মনোনিৱেশ কৰিবলৈ আহ্বান জনায়। সম্বৰ্ধনা সভাত ভাৰতীয় জনতা পাৰ্টীৰ অনুসূচিত জাতি মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি প্ৰকাশ চন্দ্ৰ দাসে অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক নিজৰ দেশৰ লগতে জাতিৰ প্ৰতি এক সমৰ্পিত মনোভাৱেৰে সেৱা আগবঢ়াই সমাজখনক আগুৱাই নিবলৈ আহ্বান জনায়। সম্বৰ্ধনা সভাত অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মা, অধিবক্তা মিনাৰাম ভৰালী, ডাঃ মহেন্দ্ৰ শৰ্মা, কুশল কোঁৱৰ হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী ৰেৱতী ভৰালী, শুৱালকুছি আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী ললিতা কলিতা, পছৰীয়া গাঁও পঞ্চায়তৰ সভানেত্ৰী ৰঞ্জুপ্ৰভা দাস, প্ৰমুখ্যে কেবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাত পছৰীয়া গাঁও পঞ্চায়তৰ কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়।

# শিৱসাগৰ জিলাৰ বেতবাৰীত পঞ্চম বাৰ্ষিক সদৌ অসম ভিত্তিত ভাওনা প্ৰতিযোগিতাৰ ব্যাপক প্ৰস্তুতি



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলাৰ বেতবাৰী কোৱামৰা সন্দিকৈ গাঁৱত অনুষ্ঠিত হ’ব পঞ্চম বাৰ্ষিক সদৌ অসম ভিত্তিত ভাওনা প্ৰতিযোগিতাৰ বিশাল কাৰ্যসূচী। বেতবাৰী মৌজা আৰু থাওৰা মৌজাৰ ৰাইজৰ সৌজন্যত, শিৱসাগৰবাসী ৰাইজৰ সহযোগত, বেতবাৰী কোৱামৰা সন্দিকৈ গাঁৱৰ ৰাইজৰ আতিথ্যত অহা ইংৰাজী ১৭ জানুৱাৰী-২০২৬ তাৰিখৰ পৰা পৰা ২৪ জানুৱাৰী-২০২৬ তাৰিখলৈকে আঠদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বেতবাৰী কোৱামৰা সন্দিকৈ গাঁৱত সদৌ অসম ভাওনা সমাৰোহ-২০২৬ আয়োজনৰ যাৱতীয় ব্যৱস্থা ইতিমধ্যে প্ৰায় সম্পূৰ্ণ হৈছে। অন্যহাতে এই প্ৰতিযোগিতাৰ অন্যতম আকৰ্ষণ ভাওনা সমাৰোহভাগিৰ লগত সংগতি ৰাখি পাঁচ হাজাৰ (৫০০০) মহিলাৰ দ্বাৰা পৰিৱেশন কৰিবলৈ লোৱা পৰম্পৰাগত সমন্বয়ৰ গীতৰ বিশেষ কাৰ্যসূচী। উল্লেখ্য যে, ভাওনা সমাৰোহভাগি সফলভাৱে আয়োজনৰ অৰ্থে ৯৫ নং ডিমৌ বিধানসভা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁইক সভাপতি দিলীপ চাংমাই আৰু নিত্যানন্দ শইকীয়াক কাৰ্যকৰী সভাপতি, ইন্দ্ৰেশ্বৰ গগৈ, প্ৰদ্যুম্ন দত্ত আৰু সৌৰভ চাংমাইক সম্পাদক, নৱজ্যোতি গগৈক কোষাধ্যক্ষ হিচাপে লৈ এখন পূৰ্ণাংগ উদ্‌যাপন সমিতি গঠন কৰি জোৰদাৰ গতিত প্ৰচেষ্টা অব্যাহত ৰাখিছে । বিশিষ্ট সমাজকৰ্মী ঘন গগৈ আৰু নৱ কুমাৰ বৰুৱাক ভাওনা সমাৰোহৰ মুখ্য ব্যৱস্থাপকৰ বিশেষ দায়িত্ব অৰ্পণ কৰাৰ লগতে শান্তনু বুঢ়াগোহাঁইক সভাপতি আৰু বাস্তৱ মিন্টু গগৈক সম্পাদক হিচাপে লৈ সাংস্কৃতিক সমিতিখনো গঠন কৰা হয়। ভাওনা সমাৰোহভাগিত পাঁচ হাজাৰ মহিলাৰ দ্বাৰা পৰম্পৰাগত গীত পৰিৱেশন কৰিবলৈ লোৱা বিশেষ কাৰ্যসূচীৰ বাবে সুৰেন দত্ত আৰু পৱন শইকীয়াক তত্ত্বাৱধাকৰ বিশেষ দায়িত্ব অৰ্পণ কৰা হৈছে । ভাওনা সমাৰোহভাগিত অংশগ্ৰহণ কৰিবলৈ বিচৰা ইচ্ছুক ভাওনা দলসমূহক অহা ইংৰাজী ১০ আগষ্টৰ ভিতৰত নাটকৰ পাণ্ডুলিপি জমা দিবলৈ সাংস্কৃতিক সমিতিয়ে আহ্বান জনাইছে। ভাওনা প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগী দলক নগদ ধনেৰে পুৰস্কৃত কৰা হ’ব বুলি উদ্‌যাপন সমিতিয়ে জানিবলৈ দিছে। ভাওনা সমাৰোহৰ সফল আয়োজনৰ বাবে শিৱসাগৰবাসী ৰাইজৰ লগতে অসমবাসী ৰাইজৰ সহায়-সহযোগ আৰু আশীৰ্বাদ উদ্‌যাপন সমিতিয়ে একান্তই কামনা কৰিছে। ভ্ৰাম্যভাষ ৭০০২৭-৩৬৯৯৩, ৯৮৬৪১-৫১৪০৩ৰ যোগেদি ভাওন সমাৰোহৰ সন্দৰ্ভত যোগাযোগ কৰিবলৈ উদ্‌যাপন সমিতিৰ তৰফৰ পৰা জনোৱা হৈছে বিশেষভাৱে অনুৰোধ।

# ১০ আগষ্টত ‘চুটিগল্পৰ পৃথিৱী, অসম’ৰ উদ্যোগত সতীৰ্থ সন্মিলনৰ আয়োজন

## অসম সাহিত্য সভাৰ ভাগৱতী প্ৰসাদ বৰুৱা ভৱনৰ মহেন্দ্ৰ বৰা সভাগৃহত হ’ব সন্মিলন

**ৰমেন ভৰালী, বংশৰ ঃ** ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই কৈছিল- ‘কামৰূপা মোৰ সুৱদি সুৰীয়া অসমীয়া ভাষা জগত সভালৈ যাব, উজ্বল সুজ্বল কহিনুৰ পিন্ধি হাঁহি জ্যোতিৰূপা হ’ব’। জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ এই কথাষাৰকে সাৰোগত কৰি অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত চুটিগল্পৰ প্ৰচাৰ আৰু প্ৰসাৰতা তথা পাঠক আৰু লেখক সৃষ্টিৰ প্ৰয়াসেৰে গঠিত ‘চুটিগল্পৰ পৃথিৱী, অসম’ নামৰ এখন মঞ্চৰ জন্ম। এই চুটি গল্পৰ পৃথিৱীৰ মঞ্চখনলৈ চুটিগল্পক ভালপোৱা সমাজখনৰ মৰম, ভালপোৱা আৰু সহযোগিতা দেখি আমি অভিভূত। অনাগত দিনতো আপোনালোকৰ দিহা পৰামৰ্শ আৰু সহযোগিতা এনেদৰেই অটুত থাকিব বুলি এই সাহিত্যানুষ্ঠানটিৰ এখন সতীৰ্থ সন্মিলন অহা ১০ আগষ্টত পুৱা ১০.৩০ বজাত গুৱাহাটীস্থিত অসম সাহিত্য সভাৰ ভাগৱতী প্ৰসাদ বৰুৱা ভৱনৰ মহেন্দ্ৰ বৰা সভাগৃহত কামৰূপ মহানগৰ জিলা সমিতি, কামৰূপ, নলবাৰী, দৰং, বৰপেটা, নগাঁও, মৰিগাঁও, হোজাই, বজালী জিলাৰ সতীৰ্থসকলৰ মাজত আয়োজন কৰা হৈছে। উক্ত সতীৰ্থ সন্মিলনত চুটিগল্পৰ পৃথিৱী, অসমৰ সতীৰ্থ সকলৰ লগত মত বিনিময়ৰ এক বৰ্ণিল কাৰ্যসূচী ৰূপায়ন কৰা হ’ব। উক্ত সতীৰ্থ সন্মিলনত ‘চুটিগল্পৰ পৃথিৱী, অসম’ৰ উপদেষ্টা তথা বিশিষ্ট গল্পকাৰ, ঔপন্যাসিক, সাহিত্য অকাডেমি বঁটা প্ৰাপক শ্ৰদ্ধাৰ জয়ন্ত মাধৱ বৰা উপস্থিত থাকিব। উক্ত সতীৰ্থ সন্মিলনত চুটিগল্পৰ পৃথিৱী, অসমৰ সতীৰ্থসকলক উপস্থিত থাকি অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰিবলৈ আহ্বান জনাইছে চুটিগল্পৰ পৃথিৱী, অসমৰ সভাপতি ৰমেন ভৰালী, উপ-সভাপতি তথা সংকলন সম্পাদিকা পূৰবী বৰুৱা ফুকন আৰু মুখ্য সম্পাদক ৰন্টু ৰঞ্জন কলিতাই।

# ভূঙ্গেশ্বৰ হাইস্কুলত 'ডাইনী সন্দেহত হত্যা আৰু নাৰী সৰবৰাহ' শীৰ্ষক সজাগতা সভা



**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ শুৱালকুছি সংহত শিশু উন্নয়ন প্ৰকল্পৰ উদ্যোগত যোৱা ২৮ জুলাইত হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত ৮২ নং গাওঁ পঞ্চায়তৰ অন্তৰ্গত বংশৰ ভূঙ্গেশ্বৰ উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গণত 'ডাইনী সন্দেহত হত্যা আৰু নাৰী সৰবৰাহ' শীৰ্ষক এখন সজাগতা সভা অনুষ্ঠিত হয়। সজাগতা সভাখনত সভাপতিত্ব কৰে বংশৰ ভূংগেশ্বৰ উচ্চ মাধ্যমিক বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি তথা ভূংগেশ্বৰ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভগৱান বৈশ্যই। সভাখন সঞ্চালনা কৰে সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া ৰশ্মি ৰেখা বৰকটকীয়ে। সজাগতা সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক অতুল চন্দ্ৰ দাস, ভূংগেশ্বৰ হাইস্কুলৰ শৈক্ষিক বিষয়া তৰুণ দাস আৰু ভাৰতীয় এয়াৰটেল ফাউণ্ডেশ্যনৰ অধ্যক্ষ মুন্তাশ্বিৰ আহমেদ। সজাগতা সভাৰ আৰম্ভণিতে আমন্ত্ৰিত অতিথি সকলক অসমীয়া স্বাভিমান গামোচা একোখনেৰে সম্বৰ্ধনা জনোৱা হয়। সজাগতা সভাত ভাষণ প্ৰসংগত সভাপতিৰ ভাষণত অৱসৰী প্ৰধান শিক্ষক ভগৱান বৈশ্যই কয় যে সাম্প্ৰতিক সময়ত ডাইনী সন্দেহত হত্যা আৰু নাৰী সৰবৰাহ সমাজ উন্নয়নৰ ক্ষেত্ৰত এটা ডাঙৰ ব্যাধিৰূপে পৰিগণিত হৈছে। তেখেতে ভাষণত উল্লেখ কৰে যে নাৰী সৰবৰহৰ ক্ষেত্ৰত পুৰুষৰ সমান্তৰালভাৱে নাৰীসকলহে জড়িত হোৱা দেখা যায়। এই সমস্যাটো বৰ্তমান গ্ৰামাঞ্চলতটো অধিক হোৱা পৰিলক্ষিত হৈছে। ইয়াৰ বাবে অভিভাৱক অভিভাৱিকা সকলকো তেওঁ দায়ী বুলি মন্তব্য কৰে। সজাগতা সভাত মুখ্য অতিথিৰ ভাষণত সহযোগী অধ্যাপক অতুল চন্দ্ৰ দাসে ডাইনী সন্দেহত হত্যা আৰু নাৰী সৰবৰাহ বিষয়ৰ ওপৰত অতি সাৱলীলভাৱে বিষয়টোৰ ওপৰত নাতিদীৰ্ঘ ভাষণ প্ৰদান কৰে। তেখেতে ভাষণত কয় সাধাৰণতে ডাইনী সন্দেহত আতিশয্যাৰ বলি হয় বিশেষকৈ দৰিদ্ৰ সীমাৰেখাৰ তলৰ আৰু শিক্ষাৰ দিশত অনগ্ৰসৰ পৰিয়ালবোৰ। এক শ্ৰেণীৰ অসাধুলোকে তেওঁলোকক ভিতীগ্ৰস্ত কৰি ধ্বংসৰ গৰাহলৈ ঠেলি দিয়ে। গতিকে ইয়াৰ পৰা হাত সৰাৰ এটায়ে সৰ্বোৎকৃষ্ট উপায় মানুহ শিক্ষিত হ'ব লাগিব আৰু বিজ্ঞানৰ ভিত্তি নথকা যুক্তিহীন কোনো কথাত অন্ধভাৱে বিশ্বাস কৰিব নালাগিব। সজাগতা সভাত মুন্তাশ্বিৰ আহমেদ উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী আৰু মহিলাসকলক উদ্দেশ্যৰে কয় তেওঁলোকে যাতে অচিনাকি কোনো ব্যক্তিক প্ৰশ্ৰয় নিদিয়ে আৰু ইজনে আনজনক ডাইনী সন্দেহত হত্যা আৰু নাৰী সয়বৰাহৰ বিষয়টোৰ প্ৰতিমুহূৰ্ত সজাগ হৈ থাকিবলৈ আহ্বান জনায়। সভাত ৰশ্মি বৰকটকীয়ে অতি গঠনমূলক আৰু উপদেশমূলক ভাষণ প্ৰদান কৰে। সভাখন অতি সুন্দৰভাৱে বিদ্যালয়ত অনুষ্ঠিত কৰিবলৈ সুযোগ দিয়া বাবে বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত শৈক্ষিক বিষয়াৰ দায়িত্বত থকা তৰুণ দাসৰ লগতে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিক ভূয়সী প্ৰশংসা কৰে। সভাত বিদ্যালয়ৰ শৈক্ষিক বিষয়া তৰুণ দাসে অংগনাবাড়ীৰ সমূহ বিষয়ববীয়া, নিমন্ত্ৰিত অতিথি, ছাত্ৰ-ছাত্ৰীসকলে সভাখনত উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ লগতে প্ৰতিজনে সহায় সহযোগিতা আগবঢ়োৱা বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। শেষত অসম জাতীয় সংগীতেৰে সভাখন সামৰণি মাৰে।

# আউনীআটী সত্ৰৰ দামোদৰ বঁটা লক্ষীনাৰায়ণ গোস্বামীক প্ৰদান



**ৰমেন ভৰালী, বংশৰ ঃ** ২০১২ চনৰ পৰা আউনীআটী সত্ৰই প্ৰদান কৰি অহা দামোদৰদেৱ বঁটা এইবাৰ সমাজ হিতৈষী বাক্সা জিলাৰ জালাহ আঞ্চলিক দেৱদামোদৰ সংঘৰ শৰণাচায্য লক্ষীনাৰায়ণ গোস্বামীক প্ৰদান কৰা হয়। আউনীআটী সত্ৰ, উত্তৰ গুৱাহাটীত যোৱা ২৭ জুলাইত অনুষ্ঠিত বঁটা প্ৰদান অনুষ্ঠানত প্ৰথমে দামোদৰদেৱ বঁটা ন্যাসৰ সম্পাদক তুলসী ৰাজখোৱাই উদ্দেশ্য ব্যাখ্যা কৰে। কেন্দ্ৰীয় দামোদৰদেৱ বঁটা প্ৰদান অনুষ্ঠানত আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে কয় যে মহাপুৰুষ শংকৰদেৱৰ সহযোগী সন্ত পুৰুষ দামোদৰদেৱ বঁটা সমাজৰ প্ৰচাৰ বিমুখ সাধকসকললৈ ২০১২ বৰ্ষৰ পৰা প্ৰদান কৰি অহা হৈছে। সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে লক্ষীনাৰায়ণ গোস্বামীক দামোদৰদেৱ বঁটা প্ৰদান কৰে আৰু বঁটা প্ৰদানত কাৰ্যসূচীত সহযোগিতা কৰে সত্ৰৰ ডেকা সত্ৰাধিকাৰ দেৱানন্দ দেৱ গোস্বামীয়ে। এই বঁটাত আছে এটি কিতাপৰ টোপোলা, এখনি চেলেং চাদৰ, শৰাই, প্ৰশস্তি পত্ৰ, আৰু নগদ ১৫ হেজাৰ টকা। বঁটা গ্ৰহণ কৰি লক্ষীনাৰায়ণ গোস্বামীয়ে তেওঁক দিয়া এই স্বীকৃতিয়ে তেওঁক আৰু শেষ সময়লৈকে কাম কৰাৰ প্ৰেৰণা যোগালে বুলি উল্লেখ কৰে। একেটা অনুষ্ঠানতে অৱসৰপ্ৰাপ্ত ডি আই জি ফটিকদত্ত গোস্বামীৰ 'নিৰ্বাচিত প্ৰৱন্ধমালা' সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে উন্মোচন কৰে। অনুষ্ঠানত সদৌ অসম দেৱদামোদৰ সংঘৰ প্ৰধান সম্পাদক মনোৰঞ্জন গোস্বামী, কেন্দ্ৰীয় মুখপত্ৰ কনকেশ্বৰ গোস্বামী, কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া নৃপেন্দ্ৰ কুমাৰ ভাগৱতী, ৰঞ্জিত কুমাৰ ডেকা, ধনপতি শইকীয়া, বাণীকান্ত মেধি, ফটিক চন্দ্ৰ বৈশ্য, ৰঞ্জিত ৰাজবংশী আদি উপস্থিত থাকে। আউনীআটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য পঞ্জীয়ক, পৰিচালনা সমিতিৰ বিষয়ববীয়া, অধ্যাপক সকল, ছাত্ৰ-ছাত্ৰী, অসংখ্য ভক্ত, বাক্সা জিলাৰ জালাহ উন্নয়ন দেৱদামোদৰ সংঘৰ বহুতো ভকত বৈষ্ণৱ আৰু দামোদৰদেৱ বঁটা প্ৰাপক শ্ৰী শ্ৰী লক্ষ্মীনাৰায়ণ গোস্বামী দেৱৰ পৰিয়ালবৰ্গ উপস্থিত আছিল। দেৱদামোদৰ দেৱ ন্যাস সমিতিৰ সম্পাদক তুলসী ৰাজখোৱা দেৱে আটধৰা অনুষ্ঠানত এখন অতি সুন্দৰ ভাওনা প্ৰদৰ্শিত হয় লগতে বঁটা প্ৰাপক, কিতাপ প্ৰণেতা, লগতে বিশিষ্ট অতিথি আৰু সত্ৰাধিকাৰৰ সুন্দৰ ভাষণেৰে অনুষ্ঠানৰ সামৰণি মাৰে।

# অবুজ শৈশৱৰ অভিজ্ঞতা এক আশাৰ ৰেঙনি

■ **হেৰম্ব নাথ**

**নি**জানত কেতিয়াবা কেতিয়াবা স্মৃতিক ৰোমন্থন কৰি সঁচাকৈয়ে ভাল লাগে। শৈশৱ কালৰ পৃষ্ঠাবোৰ লুটিয়াই চালে অনুভৱ হয় যে তাহানিৰ দিনবোৰৰ মাদকতা কিবা এটা বেলেগ আছিল, যিটো কদাপি তুলনা নহয় আজিৰ স'তে। যন্ত্ৰই অভূতপূৰ্ব সঁহাৰি প্ৰদান কৰিছে প্ৰাত্যহিক জীৱনত। যিটো অনস্বীকাৰ্য সত্য, এটা সময়ত আমি ফটো তুলিবৰ বাবে দূৰ দূৰণিলৈ বাছ বা চাইকেলেৰে গৈছিলোঁ কিন্তু এতিয়া পদূলি মূখতে সকলো উপলব্ধ। কষ্ট কৰাৰ কোনো প্ৰয়োজনেই নাই। সমগ্ৰ বিশ্বখন যেন আজি হাতৰ মুঠিত, ম'বাইল বা কম্পিউটাৰৰ স্ক্ৰীনত আঙুলি ফুৰাইলেই বিচাৰি পোৱা যায় এটাৰ পিছত আন এটা তথ্য অৰ্থাৎ লাগতিয়াল খবৰবোৰ।

যি কি নহওঁক, শৈশৱৰ সেই নিষ্পাপ ধেমালিবোৰ নিঃসন্দেহে কৌতূহল উদ্দীপক স্মৃতি। স্মৃতিমধুৰ পাতবোৰ লুটিয়াই চাওঁ মন গ'লেই, কিমান যে ভাল লাগে। এক অবুজ শিহৰণে মনৰ একোণত লহৰ তোলে, প্ৰশ্ন কৰোঁ নিজকে--- সঁচাই মই এনেকুৱা আছিলোঁনে? হাঁহি উঠে আজি, লাজো লাগে কিছুমান দুষ্টামিৰ কথা সুঁৱৰি। যেনে ধৰক- গোঁসাইঘৰত মাহ-প্ৰসাদ বিলাওতে দুখনকৈ পাত লৈছিলোঁ। ফাঁকি দিছিলোঁ সতকাই, এখন পাত মোৰ আৰু আনখন 'মা'ৰ বুলি। ফাঁকি সাৰ্থক হোৱাৰ পিছত লগৰীয়াৰ আগত হাঁহি হাঁহি গৰ্ব কৰি কৈছিলোঁ- মই দুখন পাত লৈছোঁ, গমেই নাপালে। এবাৰ এটা ছাগলীৰ পিঠিত বোকা লেটিয়াই দিছিলোঁ আমাৰ কেঁচা ধাননি পথাৰ এখনৰ পাত খাওঁতে। সিদিনা মোক দেউতাই ঘৰৰ বাৰন্দাত কাঠৰ খুঁটাত বান্ধি কোবাইছিল বাঁহৰ কেঁচা ছেকেনীৰে। যি কথা আজিও মনত পৰে, বহু দুষ্টালিৰে ভৰা আছিল শৈশৱৰ সেই দিনবোৰ। দিন বাগৰাৰ লগে লগে সলনি হৈছিলোঁ, মনযোগ দিছিলোঁ পঢ়া-শুনাত। খেল-ধেমালি বিশেষকৈ সাহিত্য প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিলোঁ বিভিন্ন ঠাইত। বিশেষকৈ, ওচৰে-পাজৰে অনুষ্ঠিত কুইজ প্ৰতিযোগিতাবোৰত অংশগ্ৰহণ কৰাটো মোৰ অন্যতম চখ আছিল। যিটো এক প্ৰকাৰ হবিত পৰিণত হৈছিল। কিছুমান কুইজ প্ৰতিযোগিতাত হঠাতে একো একোটা প্ৰশ্ন সুধি বিপাঙতো পেলাইছিল। তথাকথিত কুইজ মাষ্টাৰৰ স্বাৰ্থপৰতা ৰাইজৰ সন্মুখত উন্মোচিত হৈছিল প্ৰত্যক্ষভাৱে। বঞ্চিত কৰিবলৈ সক্ষম হৈছিল প্ৰথম স্থান লাভৰ পৰা। দ্বিতীয় স্থান লাভ কৰিছিলোঁ যদিও পুৰস্কাৰ গ্ৰহণ কৰিবলৈ অনিচ্ছুক হৈ পৰিছিলোঁ কিছুমান প্ৰতিযোগিতাত। হয়তো, আমাৰ অজ্ঞাতে আজিও কিছুমান ঠাইত তেনেকুৱা স্বাৰ্থপৰ স্বভাৱৰ মানুহ আছে; যিয়ে প্ৰাপ্যজনক বঞ্চিত কৰাৰ লগতে নিৰাশ কৰিব বিচাৰে পাকে-প্ৰকাৰে। কিন্তু মানুহৰ প্ৰতিভাক কোনোৱেও নোৱাৰে বাধা দি ৰাখিব, এদিন নহয় এদিন বিকাশ হ'বই হ'ব। মেঘে ঢকা বেলি কিছু সময় পিছত ওলালে যেনেকুৱা সুপ্ত প্ৰতিভাও তেনেকুৱা। মানুহক লাগে মাথোঁ ধৈৰ্য-সহনশীলতা, আচলতে সকলো এৰি দিব লাগে সময়ৰ হাতত। নিশ্চয় সময়ে এদিন পৰিচয় কৰাই দিব প্ৰকৃততে আপুনি কোন? গতিকে জীৱনত কদাপি নিৰাশ হ'ব নালাগে, এফালে যদি অকৃতকাৰ্য হোৱা যায় আনফালে কৃতকাৰ্যতাৰ মুকুট পৰিধান কৰিব পাৰিব নিশ্চয়। মনত ৰাখিব অকৃতকাৰ্যতাই কৃতকাৰ্যতাৰ মূল। এয়া জানিও আমি ভুল কৰোঁ পদে পদে। জীৱন পথত মিঠা, তিতা, কেঁহা সকলো থাকিব। এইবোৰ জীৱনৰেই একো একোটা অংশ। যদি তিতাৰ সোৱাদ পোৱা নাযায় তেন্তে মিঠাৰ মূল্য বুজিব কেনেকৈ? ইয়াৰ জৰিয়তে মই এইটো কথাই বুজাব খুজিছোঁ যে মানুহ হতাশা বা নিৰাশক প্ৰশ্ৰয় দিব নালাগে-যেতিয়া কৰ্মক্ষেত্ৰত অনাকাংক্ষিত অসফলতা-অকৃতকাৰ্যতাই লগ দিয়ে। বৰং অকৃতকাৰ্যতাৰ পৰা লাভ কৰা সাৰুৱা অভিজ্ঞতাখিনিক যাত্ৰাপথৰ সম্বল হিচাপে ব্যৱহাৰ কৰিব লাগে পাৰ্যমানে। অভিজ্ঞতাক সাঁৰথি কৰি জীৱন যুঁজৰ ৰথখন আগুৱাই লৈ গ'লে নিশ্চয় সফলতা লাভ কৰিব পাৰিম প্ৰত্যেকে।

**ম'বাইল ঃ** ৭০০২৭-৯৭৫৪০

# কামপুৰৰ শ্বহীদ সাংবাদিকৰ গৃহত নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মা

## কৃত্ৰিম বান দূৰীকৰণৰ নিৰ্দেশ



**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই জিলাখনৰ কামপুৰ অঞ্চলৰ প্ৰয়াত শ্বহীদ সাংবাদিক তথা কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ অধ্যক্ষ কুনৰমল আগৰৱালাৰ বাসগৃহত উপস্থিত হৈ তেওঁৰ পত্নী ৮৬ বছৰীয়া বিশিষ্ট সমাজসেৱীকা শান্তা আগৰৱালাৰ কুশল-বাৰ্তা লোৱাৰ লগতে পৰিয়ালৰ অভাৱ-অভিযোগৰ বুজ লয়। উল্লেখ্য যে, শান্তা আগৰৱালাৰ স্বামী প্ৰয়াত কুনৰমল আগৰৱালা আসাম ট্ৰিবিউন কাকত গোষ্ঠীৰ এজন জ্যেষ্ঠ সাংবাদিক আছিল। ১৯৯১ চনৰ ৫ ডিচেম্বৰৰ দিনা বিদ্যালয়ত কৰ্মৰত অৱস্থাত আততায়ীৰ বন্দুকৰ গুলীত মৃত্যু হৈছিল আগৰৱালাৰ। শেহতীয়াভাৱে বাৰিষাৰ কালছোৱাত প্ৰয়াত সাংবাদিকগৰাকীৰ বাসগৃহত কৃত্ৰিম বানপানীৰ সৃষ্টি হোৱাৰ বাবে পৰিয়ালটোৱে কিছুদিন ধৰি হাৰাশাস্তি খাবলগীয়া হৈছিল। যোৱা ২৬ জুলাইত কামপুৰত অনুষ্ঠিত হোৱা আপকুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাৰ উপলক্ষে অনুষ্ঠিত হোৱা মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থকাৰ সময়তে সাংবাদিক গৰাকীৰ পত্নীৰ দুৰৱস্থাৰ বিষয়ে অৱগত হোৱাত সভাৰ অন্তত সাংবাদিকৰ দলৰ সৈতে তেওঁৰ বাসগৃহত উপস্থিত হয় জিলা আয়ুক্ত দেৱাশীষ শৰ্মা। জিলা আয়ুক্ত গৰাকীয়ে তেখেতৰ ঘৰৰ চাৰিওফালে জমা হৈ থকা পানীসমূহ তাৎক্ষণিকভাৱে সঠিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ কামপুৰ পৌৰসভাৰ কাৰ্যবাহী বিষয়া আৰু কামপুৰ ৰাজহ চক্ৰ বিষয়াক নিৰ্দেশ প্ৰদান কৰে। আয়ুক্ত গৰাকীক সেই সময়ছোৱাত আপকুৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি স্বপন কুমাৰ ৰাভা, সম্পাদক প্ৰধান শৰৎ শেনচোৱা, উপ-সভাপতি মৌচম জ্যোতি বৈশ্য, সমাজ কৰ্মী বিভূতিভূষণ বৰঠাকুৰে সংগদান কৰিছিল। জিলা আয়ুক্তগৰাকীৰ এনে পদক্ষেপৰ শলাগ লৈছে কামপুৰৰ সচেতন মহলে।

# ইতিহাসৰ গুৰুত্ব আৰু প্ৰাসংগিকতা

■ গুপ্তজিৎ পাঠক
বিভাগীয় মুৰব্বী, ইতিহাস বিভাগ,
গীতানগৰ কলেজ

আজিৰ দিনত যান্ত্ৰিক বিকাশ, ৰাজনৈতিক বিভাজন আৰু সাংস্কৃতিক পৰিৱৰ্তনৰ সময়ছোৱাত অতীতৰ জ্ঞান থকা আগেয়েও অধিক প্ৰয়োজনীয় হৈ পৰিছে। সামাজিক ন্যায় আন্দোলন, ভৌগোলিক দ্বন্দ্ব, পৰিৱেশ সংকট আৰু পৰিচয় ৰাজনীতিৰ দৰে বিভিন্ন ক্ষেত্ৰত ইতিহাসে আধুনিক সমস্যাসমূহ বুজিবলৈ এটা অত্যাৱশ্যক ব্যাখ্যামূলক পটভূমি প্ৰদান কৰে। অতীত ঘটনাসমূহ, মতবাদ আৰু পৰম্পৰাসমূহৰ পৰ্যালোচনাৰে আমি বৰ্তমান সময়ৰ ধাৰাবাহিকতা আৰু বিভাজন চিনাক্ত কৰিব পাৰো। ইতিহাসৰ কিছুমান ঘটনাৰ জৰিয়তে স্মৃতি, কাহিনী আৰু সৰ্বজনীয় অভিজ্ঞতাই বৰ্তমানৰ মনোভাৱ, প্ৰতিষ্ঠান আৰু বিষয়সমূহ গঢ়ি তোলাৰ প্ৰক্ৰিয়া দেখুৱায়। লগতে, ইতিহাসৰ বুৰঞ্জীৰ ভ্ৰম, ৰাষ্ট্ৰীয়তাবাদ আৰু সাংস্কৃতিক অদৃশ্যকৰণৰ নেতিবাচক প্ৰভাৱক সমালোচনা কৰি অধিক সক্ৰিয়, সমালোচনাত্মক আৰু অন্তৰ্ভুক্তিমূলক জনসমালোচনা আৰু ইতিহাস শিক্ষাৰ প্ৰয়োজনীয়তা প্ৰচাৰ কৰে। অৱশেষত, এই অধ্যয়নে ইতিহাসক এটা স্থিৰ প্ৰতিলিপি হিচাপে নহয়, বৰং এক চলন্ত মাধ্যম হিচাপে গণ্য কৰিছে, যি সহানুভূতি গঢ়ি তোলাত, জবাবদিহিতা উৎসাহিত কৰাত ন্যায়সঙ্গত ভৱিষ্যতৰ কল্পনাত সহায় কৰে।

দ্ৰুত বিশ্বায়ন, প্ৰযুক্তিগত উন্নতি আৰু সামাজিক পৰিৱৰ্তনৰ সমাজত ইতিহাসৰ গুৰুত্ব কম বুলি ভাবা হ'ব পাৰে। তথাপি, আধুনিক সমাজৰ প্ৰতিষ্ঠান বুজিবলৈ, সমালোচনাত্মক চিন্তাধাৰা বিকাশ কৰিবলৈ আৰু জ্ঞানভিত্তিক নাগৰিকত্ব গঢ়ি তোলাৰ ক্ষেত্ৰত ইতিহাসৰ জ্ঞান অত্যাৱশ্যক।

ব্যক্তিগত আৰু সৰ্বজনীয় পৰিচয় গঠনত ইতিহাসৰ বিশেষ ভূমিকা থাকে। ইতিহাসৰ অধ্যয়নে মানুহক তেওঁলোকৰ বংশানুক্ৰমিক ৰীতি-নীতি, পৰম্পৰা আৰু সাংস্কৃতিক অগ্ৰগতিৰ বুজ দিব পাৰে। সমাজক তেওঁলোকৰ সাংস্কৃতিক মূল্যবোধ সংৰক্ষণ কৰি আধুনিক বাস্তৱতাত খাপ খুৱাবলৈ সহায় কৰে, লগতে সংহতি আৰু আত্মীয়তাবোধ গঢ়ি তোলে। একে সময়তে ইতিহাস বিবিধ সাংস্কৃতিক সমাজসমূহৰ মাজত সম্প্ৰীতি আৰু সহানুভূতিৰ এক দলং ৰূপে কাম কৰে, যিয়ে সাধাৰণ দুৰ্ঘটনা আৰু অভিজ্ঞতাৰ ওপৰত আলোকপাত কৰে।

ইতিহাসক সাধাৰণতে এক উপকাৰী বা আগুৱাই থকা বিষয় হিচাপে নাভাবি গৱেষণাৰ বিষয় হিচাপে উপেক্ষা কৰা হয়। কিন্তু ইতিহাসৰ অধ্যয়নে বৰ্তমানৰ সমস্যাসমূহ সমাধানৰ বাবে আৱশ্যকীয়া দক্ষতা আৰু জ্ঞান প্ৰদান কৰে। ইতিহাসৰ বুজবুজে চৰকাৰ চলোৱাৰ পৰা সাংস্কৃতিক পৰিচয়ৰ গভীৰ বুজ লৈ সকলো ক্ষেত্ৰত সহায় কৰে। ইতিহাসে কেনেকৈ নাগৰিক সচেতনতা গঢ়ি তোলে, ৰাজনৈতিক আৰু নীতি-নিয়ম নিৰ্ধাৰণত ভূমিকা লয় আৰু সমাজৰ স্থিতিশীলতা গঢ়ি তোলে তাৰে ব্যাখ্যা দিয়া হৈছে।

ইতিহাস বুজি পাওঁতে আটাইতকৈ শক্তিশালী যুক্তিসমূহৰ এটা হ'ল অতীতৰ সফলতা, বিফলতা আৰু উল্লেখযোগ্য সময়বোৰৰ পৰা শিক্ষা লাভ কৰা। উদাহৰণ স্বৰূপে, আগৰ সংঘাতৰ উৎপত্তি আৰু প্ৰভাৱ অধ্যয়নে বৰ্তমানৰ কূটনীতি আৰু শান্তি গঢ়নৰ উপায় বুজিবলৈ সহায় কৰে। তাৰ উপৰিও, অতীতৰ মহামাৰী, অৰ্থনৈতিক সংকট বা নাগৰিক অধিকাৰৰ আন্দোলন অধ্যয়নে আজিৰ সমস্যা বুজিবলৈ আৰু বুজদাৰীপূৰ্ণভাৱে প্ৰতিক্ৰিয়া জনাবলৈ সহায় কৰে।

**মধ্যপ্ৰদেশৰ সাঁচিত অৱস্থিত প্ৰসিদ্ধ মহান স্তূপটোৰ এখন নিকট দৃশ্য**

ইতিহাস কেৱল তাৰিখ আৰু তথ্যৰ সমষ্টি নহয়, বৰং এটা ব্যাখ্যামূলক বিষয়, যাৰ বাবে সমালোচনাত্মক চিন্তাধাৰা, বিশ্লেষণ আৰু মূল্যাংকনৰ প্ৰয়োজন। ইতিহাস অধ্যয়নৰ ফলত মানুহে উৎসসমূহৰ গুণগত মান বিচাৰি পায়, পক্ষপাত চিনাক্ত কৰে আৰু অন্য মতামত বুজি পায়। ডিজিটেল যুগত বিভাজন আৰু মিছা তথ্যৰ প্ৰচলনৰ সময়ত এই দক্ষতাসমূহ বিশেষ গুৰুত্বপূৰ্ণ। ইতিহাসৰ চিন্তাধাৰাই মানুহক সমস্যাসমূহ সূক্ষ্মভাৱে বুজি, যুক্তিসংগত সিদ্ধান্ত ল'বলৈ আৰু শিক্ষিত বিতৰ্কত অংশগ্ৰহণ কৰিবলৈ সক্ষম কৰে।

ইতিহাসৰ জ্ঞান চৰকাৰ আৰু নীতি নিৰ্ধাৰকসকলে আইন আৰু সামাজিক কাৰ্যসূচী তৈয়াৰ কৰিবলৈ প্ৰায়ে ব্যৱহাৰ কৰে। অতীতৰ ঘটনাসমূহৰ অধ্যয়নে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক, অৰ্থনৈতিক মডেল আৰু আইনৰ দীঘলীয়া প্ৰভাৱ বুজিবলৈ সহায় কৰে। ইতিহাসৰ জ্ঞান থকা নেতাসকলে অতীতৰ ভুল এৰাই অধিক সফল আৰু অভিজ্ঞতাৰ আধাৰত উদ্ভাৱনী পৰিসৰসমূহ আগবঢ়াব পাৰে, বিশেষকৈ সামাজিক অন্যায়, পৰিৱেশ পৰিৱৰ্তন আৰু শিক্ষানীতিৰ ক্ষেত্ৰত।

ৰাষ্ট্ৰীয়, সাংস্কৃতিক আৰু ব্যক্তিগত পৰিচয়ৰ গভীৰ আধাৰ হৈছে ইতিহাসৰ জ্ঞান। ইতিহাসৰ কাহিনীসমূহে সমাজক তেওঁলোকৰ মূল্যবোধ স্থাপন, ঐক্য গঢ়ি তোলা আৰু পৰস্পৰৰ পৰা পৃথক হ'বলৈ সহায় কৰে। বহুজাতিক সমাজসমূহত অন্তৰ্ভুক্তিমূলক ইতিহাসই সন্মান আৰু সম্প্ৰীতিৰ বতৰা প্ৰসাৰ কৰে।

ইতিহাসত মানুহৰ ব্যৱহাৰৰ প্ৰতিক্ৰিয়া ধৰা বিভিন্ন ঘটনাৰ অধ্যয়ন দেখা যায়। দ্য গ্ৰেট ডিপ্ৰেছন, বিশ্বযুদ্ধ আৰু অতীতৰ মহামাৰীসমূহৰ অধ্যয়নে আধুনিক অৰ্থনৈতিক সংকট, যুদ্ধ আৰু স্বাস্থ্য সংকটৰ প্ৰতি বুজ আৰু সমাধান বিকাশ কৰাত সহায় কৰে। অতীতৰ জ্ঞানৰ ওপৰত আধাৰ কৰি নীতি নিৰ্মাতাসকলে আগৰ সফলতা, ভৱিষ্যতৰ সমস্যাৰ প্ৰতি সাৱধান হৈ থাকিব পাৰে।

জ্ঞানভিত্তিক নাগৰিকই গণতান্ত্ৰিক সমাজৰ অবিচ্ছেদ্য অংশ। অতীত বুজি পাওঁতে নাগৰিক অধিকাৰ, চৰকাৰী ব্যৱস্থা আৰু ন্যায়ৰ বাবে হোৱা সংগ্ৰামৰ গভীৰ বুজ পোৱা যায়। উদাহৰণ স্বৰূপে, নাৰী অধিকাৰ আন্দোলন, আফ্ৰিকা আৰু এছিয়াৰ উপনিৱেশমুক্তি, আৰু আমেৰিকাৰ নাগৰিক অধিকাৰ আন্দোলনৰ পৰা আজিৰ সংগ্ৰামৰ বাবে গুৰুত্বপূৰ্ণ পাঠ শিকিব পাৰি।

সংগঠন আৰু চৰকাৰসমূহে প্ৰায়ে ইতিহাসৰ অধ্যয়ন কৰি নীতি-নিয়ম নিৰ্ধাৰণ কৰে। উদাহৰণস্বৰূপ, আন্তঃৰাষ্ট্ৰীয় কূটনীতি দীৰ্ঘকালীন ভৌগোলিক পৰিৱৰ্তনৰ ওপৰত নিৰ্ভৰ কৰে আৰু পৰিৱেশ নীতি অধিক পৰিসৰ লাভ কৰিছে ইতিহাসৰ অধ্যয়নৰ জৰিয়তে। সফল বুজ-বিনিময় আৰু সংঘাত সমাধানৰ বাবে অতীতৰ অভিযোগ আৰু মিত্ৰতা বুজা অত্যন্ত প্ৰয়োজন।

ডিজিটেল যুগত মিছা তথ্য আৰু তথ্যৰ অধিকতাৰ সময়ত ইতিহাস সমালোচনাত্মক চিন্তাৰ বিকাশত সহায় কৰে। প্ৰাথমিক আৰু দ্বিতীয় উৎসৰ বিশ্লেষণ, পক্ষপাত চিনাক্তকৰণ আৰু কাহিনীৰ উদ্দেশ্য বুজি তথ্য আৰু কল্পনাৰ মাজত পাৰ্থক্য কৰিবলৈ ইতিহাসৰ শিক্ষা সহায় কৰে।

সমাজৰ সৰ্বজনীন স্মৃতি হিচাপে ইতিহাসে আমাৰ পূৰ্বৰ জাতিৰ কাহিনী সংৰক্ষণ কৰে। এই স্মৃতিয়ে সংকটৰ সময়ত স্থিতিশীলতা আৰু স্থায়িত্ব প্ৰদান কৰে। স্মৃতিস্তম্ভ, সংগ্ৰহালয়, সংৰক্ষণাগাৰ আৰু ইতিহাস কাহিনীয়ে অতীতৰ বলিদান আৰু জয়ৰ সোঁৱৰণি হিচাপে এটি সৰ্বজনীয় ঐতিহ্য গঢ়ি তোলাত সহায় কৰে, যি ভৱিষ্যৎ প্ৰজন্মক উৎসাহিত কৰিব পাৰে।

আধুনিক যুগত ইতিহাসৰ গুৰুত্ব অতিমূল্যাংকন কৰিব নোৱাৰি। ইতিহাস হৈছে এটা শাখা যিয়ে অতীত আৰু বৰ্তমানক সংযোগ কৰি গুৰুত্বপূৰ্ণ দৃষ্টিভংগী, পৰ্যবেক্ষণ আৰু পাঠ প্ৰদান কৰে। বিশ্বযুদ্ধ আৰু প্ৰযুক্তিগত পৰিৱৰ্তনৰ দৰে নতুন সমস্যা সন্মুখীন হোৱাৰ সময়তো ইতিহাসে দিশনিৰ্দেশ প্ৰদান কৰি মানুহক বুজদাৰ, সহানুভূতিশীল আৰু বিচক্ষণভাৱে আগবঢ়িবলৈ সহায় কৰে। ইতিহাসক গ্ৰহণ কৰাৰ উদ্দেশ্য হৈছে বৰ্তমানক শক্তিশালী কৰা আৰু এক অধিক বিবেকশীল আৰু ন্যায়সঙ্গত ভৱিষ্যত নিৰ্মাণ কৰা, অতীতত বন্দী হোৱা নহয়।

আধুনিক বিচাৰৰ এটি আধাৰভূত অঙ্গ হিচাপে ইতিহাস এতিয়াও অটুট হৈ আছে। এটা বিলুপ্ত ক্ষেত্ৰ নহয়, বৰং এটা সমালোচনাত্মক দৃষ্টিকোণ, যিয়ে সভ্যতাসমূহক তেওঁলোকৰ অতীত বুজিবলৈ, বৰ্তমান পৰিচালনা কৰিবলৈ আৰু ভৱিষ্যতৰ বাবে পৰিকল্পনা কৰিবলৈ সহায় কৰে। পৰিচয় গঢ়ি তোলা, সমালোচনাত্মক চিন্তা, নাগৰিক সম্পৃক্ততা আৰু নীতি অন্তৰ্ভুক্তিৰ জৰিয়তে ইতিহাসে মানুহ আৰু ৰাষ্ট্ৰসমূহক বুদ্ধিমত্তা আৰু কৌশলী দৃষ্টিভংগীৰে আধুনিক সমস্যাসমূহৰ সন্মুখীন হ'বলৈ সাজু কৰে। ইতিহাস শিক্ষাৰ উন্নয়ন আৰু জনসম্পৃক্ততা এক শক্তিশালী, বিবেকশীল আৰু ন্যায়সঙ্গত সমাজ গঢ়িবলৈ অত্যন্ত প্ৰয়োজনীয়।

**ম'বাইল ঃ** ৯০৮৫০-৮৪২৭৫

## শিৱসাগৰৰ মেটেকা মাজগাঁৱত শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলা মহোৎসৱৰ নৃত্যাংশৰ শুভাৰম্ভ




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰৰ অন্তৰ্গত মেটেকা মাজগাঁৱত দিখৌপৰীয়া কলা সংস্কৃতি বিকাশ কেন্দ্ৰৰ উদ্যোগত বৃহত্তৰ মেটেকাবাসী ৰাইজৰ সহযোগত চলিত ২০২৫ বৰ্ষত উদ্‌যাপন কৰা হ'ব শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলা মহোৎসৱ। উল্লেখযোগ্য যে, শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলা মহোৎসৱ উদ্‌যাপনৰ সিদ্ধান্তৰ পাছতেই যোৱা ২৭ জুলাই, দেওবাৰে বৃহত্তৰ মেটেকা আঞ্চলিক ৰাইজৰ অংশগ্ৰহণত ৰাসলীলা মহোৎসৱৰ কাৰ্যালয় আৰু নৃত্যাংশৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। বৃহত্তৰ মেটেকা, বগীদল, মেছাগড়, নমাতি, মঠিয়াছিগাকে আদি কৰি ৭ টা আঞ্চলিকৰ ৰাইজৰ অংশগ্ৰহণত অনুষ্ঠিত হ'ব শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলা মহোৎসৱ। উল্লেখ্য যে, সুদীৰ্ঘ প্ৰায় ৩৩ টা বৰ্ষৰ পাছত মেটেকা মাজগাঁও তিনিআলিত দিখৌপৰীয়া কলা সংস্কৃতি বিকাশ কেন্দ্ৰৰ উদ্যোগত বৃহত্তৰ মেটেকাবাসী ৰাইজৰ সহযোগত অনুষ্ঠিত হ'বলগীয়া ৰাসলীলাৰ প্ৰথমটো কাৰ্যসূচী গাম্ভীৰ্যপূৰ্ণভাৱে ৰূপায়িত কৰা হয়। দিখৌপৰীয়া কলা সংস্কৃতি বিকাশ কেন্দ্ৰৰ সম্পাদক ঋতুৰাজ সন্দিকৈৰ সিংহদ্বাৰস্থিত বাসগৃহৰ পৰা ৰাসলীলাৰ নাটভাগি গায়ন-বায়নৰ শোভাযাত্ৰা কৰি আদৰি অনা হয়। ইয়াৰ পাছত মেটেকা মাজগাঁও তিনিআলিত নাম প্ৰসংগৰে সম্পূৰ্ণ আধ্যাত্মিকতাৰে শুভ্ৰজ্যোতি কৰা হয় শ্ৰীশ্ৰী ৰাসলীলা মহোৎসৱৰ নৃত্যাংশৰ শুভাৰম্ভ।

## সংস্কৃতিৰ বাটেৰে অসম কন্যাৰ সোণসেৰীয়া যাত্ৰা

### সাত সাগৰ তেৰ নদীৰ সিপাৰে বিলাইছে ভাৰতীয় ধ্ৰুপদী নৃত্যৰ সুবাস

**জয়ন্ত মুদৈ, নগাঁও ঃ** ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ আছে এক সুকীয়া মাদকতা। এক সুকীয়া শৈলীৰ এই নৃত্যৰ সুবাসে স্বাভাবিকেই প্ৰতিজন সাংস্কৃতিকপ্ৰেমীৰ মন-প্ৰাণ পুলকিত কৰি তোলে। সমগ্ৰ ভাৰতৰ লগতে বিদেশটো আছে এই নৃত্যৰ বিশেষ সমাদৰ। এই ভাৰতীয় ধ্ৰুপদী নৃত্যৰ প্ৰসাৰ আৰু চৰ্চাত বহুতেই একাগ্ৰতাৰে নিমগ্ন হৈ থকাৰ মাজতে এই নৃত্যৰ বিশালতা, বিস্তৃতি আৰু সুগন্ধিক সাত সাগৰ তেৰ নদীৰ সিপাৰে উপস্থাপন কৰি যুক্তৰাষ্ট্ৰত এক সুকীয়া পৰিচিতি দাঙি ধৰিবলৈ সক্ষম হৈছে এগৰাকী অসম কন্যাই। নাম তেওঁৰ মৌ শৰ্মা। ইংলেণ্ডৰ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ প্ৰত্নতত্ত্ব বিভাগৰ প্ৰবক্তা তেজপুৰৰ মৌ শৰ্মা এতিয়া যুক্তৰাষ্ট্ৰৰ অসমীয়া গোটৰ এক পৰিচিত নাম। কিয়নো, বিদেশতো তেওঁ চাকৰিৰ সমান্তৰালভাৱে বিলাই গৈছে ভাৰতীয় ধ্ৰুপদী নৃত্যৰ সৌৰভ। ইফালে, দিল্লীৰ পাৰ্ল একাডেমীত ডিজাইনিঙৰ স্নাতক পাঠ্যক্ৰম গ্ৰহণ কৰি থকা তেওঁৰ ভগ্নী



কুঁহি শৰ্মায়ো দেশৰ ৰাজধানীৰ বিভিন্ন অনুষ্ঠান তথা মঞ্চত পৰিৱেশন কৰি আহিছে ভাৰত নাট্যম। জানিব পৰা মতে, প্ৰচুৰ প্ৰতিভাৱান দুয়ো ভগ্নীয়েই নগাঁৱৰ বিশিষ্ট নৃত্যশিল্পী মন্দিৰা ভট্টাচাৰ্যৰ তত্বাৱধানত ভাৰত নাট্যমৰ প্ৰশিক্ষণ গ্ৰহণ কৰিছিল। শেহতীয়াভাৱে অসমলৈ আহিয়েই এতিয়া দুয়ো ভগ্নীয়ে সাক্ষাৎ কৰেহি তেওঁলোকৰ গুৰু মন্দিৰা ভট্টাচাৰ্যক। দুই শিষ্যৰ এনে কৰ্মৰাজিক লৈ অতিকে গৌৰৱ অনুভৱ কৰা গুৰু মন্দিৰা ভট্টাচাৰ্যই এনেদৰে দুয়োকে কাষত পাই স্বাভাবিক উৎফুল্লিত হৈ পৰে। সেয়ে শিষ্যৰ এনে পাৰদৰ্শিতা আৰু ভাৰতীয় কলা-সংস্কৃতিৰ প্ৰতি থকা প্ৰৱল ধাউতিক জাতীয় সন্মান বুলি অভিহিত কৰে গুৰু মন্দিৰা ভট্টাচাৰ্যই। উল্লেখ্য যে, মৌ শৰ্মা আৰু কুঁহি শৰ্মা হৈছে তেজপুৰৰ মাজগাঁৱৰ জিতেন্দ্ৰ কুমাৰ শৰ্মা আৰু শিখাজ্যোতি গোস্বামীৰ জীয়ৰী।

সত্যমেৱ জয়তে
অসম চৰকাৰ
ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ

# ৰাজহ আদালতৰ গোচৰ ব্যৱস্থাপনা প্ৰণালী

## ভূমি ৰাজহ সম্পৰ্কীয় আপীল গোচৰ পৰিচালনাৰ ডিজিটেল প্লেটফৰ্ম

এতিয়াৰে পৰা জনসাধাৰণে ৰাজহ আদালতত ভূমি সম্পৰ্কীয় আপীল গোচৰৰ জৰিয়তে সমস্যাসমূহ সমাধানৰ বাবে ডিজিটেল মাধ্যমেৰে আবেদন কৰিব পাৰিব। এনে গোচৰসমূহ সহজে পৰিচালনা কৰাৰ বাবে অসম চৰকাৰে লৈ আহিছে ৰাজহ আদালতৰ গোচৰ ব্যৱস্থাপনা প্ৰণালী নামৰ এক বিশেষ ডিজিটেল প্লেটফৰ্ম

আবেদনৰ বাবে তথা অধিক জানিবলৈ চাওক **rccms.assam.gov.in**



### সুবিধাসমূহ

- ঘৰৰ পৰাই গোচৰ পঞ্জীয়ন আৰু অনুসৰণ
- স্বয়ংক্ৰিয়ভাৱে গোচৰ অনুসূচিতকৰণ আৰু শুনানিৰ জাননী সৃষ্টিকৰণ
- নথি-পত্ৰৰ সংৰক্ষণ আৰু পৰিচালনা
- আদালতৰ ৰায় আৰু আদেশসমূহৰ সংৰক্ষণ
- গোচৰ বিলম্ব, নিষ্পত্তিকে ধৰি মুখ্য বিষয়সমূহৰ সন্দৰ্ভত প্ৰতিবেদন আৰু বিশ্লেষণ

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা হোৱাটছএপ চেনেলৰ সৈতে সংযুক্ত হ'বলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি হোৱাটছএপ কৰক

Janasanyog RO no 1353/25/1-August-25

# নগাঁৱৰ কামপুৰত ‘আপকু’ৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা সম্পন্ন

## সাংবাদিক সমৰেন্দ্ৰ নাৰায়ণ বৰাৰ ‘সাংবাদিক, সাংঘাতিক আৰু যান্ত্ৰিক’ শীৰ্ষক গ্ৰন্থ উন্মোচন



**জয়ন্ত মুদৈ, নগাঁওঃ** আসাম প্ৰেছ ক’ৰেছপণ্ডেন্টছ ইউনিয়ন চমুকৈ ‘আপকু’ৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক আৰু মুকলি সভা যোৱা ২৬ জুলাইত নগাঁও জিলা সমিতিৰ আতিথ্যত কামপুৰত সফলতাৰে অনুষ্ঠিত হৈ যায়। তদুপলক্ষে পুৱাৰ ভাগত বিশিষ্ট সমাজকৰ্মী যতীন বৰাই শ্বহীদ বেদীত বন্তি প্ৰজ্বলন কৰাৰ পিছতে ‘আপকু’ৰ কেন্দ্ৰীয় সভাপতি স্বপন কুমাৰ ৰাভা আৰু সম্পাদক প্ৰধান শৰৎ শেনচোৱাৰ উপস্থিতিত কামপুৰ স্বৰাজ ভৱনত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাখনি অনুষ্ঠিত হয়। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ প্ৰায় চাৰিকুৰি কাৰ্যনিৰ্বাহক সদস্য উপস্থিত থকা উক্ত সভাখনত সংগঠনটোৰ সাংগঠনিক বিষয়ৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰাৰ লগতে সাংবাদিকৰ সমস্যা সমূহৰ ওপৰত বিশেষভাৱে পৰ্যালোচনা কৰাৰ অন্তত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ইফালে, কাৰ্যনিৰ্বাহক সভাখন অন্ত পৰাৰ পিছতে কামপুৰ এম ভি স্কুল প্ৰাংগণত মুকলি সভাখন অনুষ্ঠিত হয়। ‘আপকু’ৰ কেন্দ্ৰীয় সভাপতি স্বপন কুমাৰ ৰাভাৰ পৌৰহিত্যত অনুষ্ঠিত হোৱা মুকলি সভাখনত কেন্দ্ৰীয় সম্পাদক প্ৰধান শৰৎ শেনচোৱা, কেন্দ্ৰীয় উপ-সভাপতি মৌচম জ্যোতি বৈশ্যৰ লগতে আমন্ত্ৰিত অতিথি হিচাপে বিধায়ক জিতু গোস্বামী, যুৱ সমাজকৰ্মী বিভূতি ভূষণ বৰঠাকুৰ, আব্দুল জব্বৰ, সমাজকৰ্মী মাধৱ লস্কৰ, জ্যেষ্ঠ সাংবাদিক নলিনী বৰঠাকুৰ, সুধাময় দাস, নগাঁও জিলা ‘আপকু’ৰ সভাপতি অপূৰ্ব হাজৰিকাকে প্ৰমুখ্য কৰি সংগঠনটোৰ কেইবাগৰাকী বিষয়ববীয়া উপস্থিত থাকে। উক্ত সভাত ‘সাংবাদিক আৰু সমাজ ব্যৱস্থা’ শীৰ্ষক বিষয়ত ওপৰত অনুষ্ঠিত হোৱা আলোচনা-চক্ৰত সাংবাদিকৰ সততা, দায়িত্ব আৰু কৰ্তব্য সন্দৰ্ভত বহু কেইগৰাকী বক্তাই বক্তব্য প্ৰদান কৰে। গাম্ভীৰ্যপূৰ্ণ সভাখনিত নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি গণতন্ত্ৰত সাংবাদিকৰ গুৰুত্ব সন্দৰ্ভত সাৰমৰ্মী বক্তব্য আগবঢ়ায়। লগতে আয়ুক্ত গৰাকীয়ে সাংবাদিক সমৰেন্দ্ৰ নাৰায়ণ বৰাই লিখি উলিওৱা ‘সাংবাদিক, সাংঘাতিক আৰু যান্ত্ৰিক’ শীৰ্ষক নৱতম গ্ৰন্থখনি আনুষ্ঠানিকভাৱে উন্মোচন কৰে। সভাত কৌশিকি বৰঠাকুৰৰ সত্ৰীয়া নৃত্য আৰু কাজল দাসৰ পৰিচালনাত ‘আপকু’ৰ সমৱেত সংগীতৰ অনুষ্ঠানে উপস্থিত সকলোকে বেছ আপ্লুত কৰিবলৈ সক্ষম হয়।

# নদুৱাৰৰ মঙলবৰীয়াত উত্তৰ নদুৱাৰ মণ্ডল যুৱ মৰ্চাৰ উদ্যোগত দহদিনীয়া ফুটবল প্ৰশিক্ষণ শিবিৰ আৰম্ভ



**চন্দন শৰ্মা, তেজপুৰ ঃ** নদুৱাৰ সমষ্টিৰ অন্তৰ্গত মঙলবৰীয়া খেলপথাৰত যোৱা ২৫ জুলাইৰ পৰা আৰম্ভ হয় ভাৰতীয় জনতা পাৰ্টি উত্তৰ নদুৱাৰ মণ্ডল যুৱ মৰ্চাৰ উদ্যোগত দহদিনীয়া ফুটবল প্ৰশিক্ষণ শিবিৰ। নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ বিশেষ তৎপৰতা আৰু মঙলবৰীয়া ক্ৰীড়া সন্থাৰ তত্বাৱধানত আয়োজিত তথা পোন্ধৰ বছৰ অনূৰ্ধ্বৰ খেলুৱৈৰ বাবে এই শিবিৰৰ আয়োজন কৰিছে। দেওবাৰে উক্ত শিবিৰৰ পৰিদৰ্শন কৰে শোণিতপুৰ জিলা বিজেপিৰ উপ-সভাপতি তথা টুপীয়া পাঁচগাঁও ক্ৰীয়া সন্থাৰ সভাপতি নিতুমনি বৰা, ক্ৰীয়া সন্থাৰ সংগঠক গৌতম লাহন, উত্তৰ নদুৱাৰ মণ্ডল যুৱ মৰ্চাৰ সভাপতি ভাস্কৰ শইকীয়া, পশ্চিম মূঢ়াদল গাঁও পঞ্চায়তৰ সভাপতি অজিত পায়েঙৰ লগতে যুৱ মৰ্চাৰ সদস্যসকল। উল্লেখযোগ্য যে অঞ্চলটোত এক ক্ৰিয়াৰ পৰিৱেশ গঢ়ি তোলাৰ লক্ষ্যৰে পোনপ্ৰথমবাৰৰ বাবে মঙলবৰীয়াত প্ৰশিক্ষক হিচাপে অসম ফুটবল এচ’ছিয়েচনৰ বিখ্যাত খেলুৱৈ মলন পাওৰ দ্বাৰা আয়োজন কৰা হৈছে ফুটবলৰ এই প্ৰশিক্ষণ শিবিৰ।

# নগাঁৱৰ ফুলগুৰিত ডায়েৰীয়া ৰোগৰ সজাগতা সভা সম্পন্ন




**জয়ন্ত মুদৈ, নগাঁও ঃ** অসম ৰাজ্যিক জীৱিকা অভিযানৰ অন্তৰ্গত তথা নগাঁৱৰ ৰহা উন্নয়ন খণ্ডৰ অধীনৰ নীলকণ্ঠ মণ্ডল সংগঠনৰ পুৰ মণ্ডলৰ উদ্যোগত সোমবাৰে পুৰ শালমৰাৰ গাঁও পঞ্চায়তৰ সভাগৃহত ডায়েৰীয়া ৰোগ নিৰ্মূলকৰণ এক সজাগতা সভা অনুষ্ঠিত হৈ যায়। নীলকণ্ঠ মণ্ডলৰ সভানেত্ৰী দিপ্তী বৰাই সভাপতিত্ব কৰা সভাখনিত ডায়েৰীয়া ৰোগ নিয়ন্ত্ৰণ, নিৰীক্ষণ আৰু প্ৰাথমিক চিকিৎসাৰ বিষয়ত বক্তব্য ৰাখে ফুলগুৰি ৰাজ্যিক চিকিৎসালয়ৰ বহুমুখী স্বাস্থ্যকৰ্মী কল্যাণ কুমাৰ বৰা, স্বাস্থ্য প্ৰশিক্ষক প্ৰিয়ালক্ষ্মী শৰ্মা আৰু এ এন এম ৰানু দেৱীয়ে। ঠিক সেইদৰে সভাত জ্যেষ্ঠ এ এন এম বিদ্যাৱতী গোৱালাই কেনেকৈ গুণগতভাৱে অ’ আৰ এছৰ মিশ্ৰণ তৈয়াৰ কৰা হয় সেয়া প্ৰদৰ্শন কৰাৰ লগতে হাত ধোৱাৰ নিয়ম সমূহ আশাকৰ্মী প্ৰফুল্লী পাটৰে প্ৰদৰ্শন কৰি দেখুৱায়। গাম্ভীৰ্যপূৰ্ণ সভাখনিত কুৰিৰো অধিক কৃষি সখী, জীৱিকা সখী, পশু সখী, সংযোগ সখী, বীমা সখী, বুক কীপাৰ, নীলকণ্ঠ মণ্ডল সংগঠনৰ কাৰ্যকৰী সদস্যাসকলৰ লগতে আশাকৰ্মী মইনা দাস আদিয়ে অংশগ্ৰহণ কৰে।

# শিৱসাগৰ কবি চক্ৰৰ দ্বাৰা সুগন্ধি পখিলাৰ কবি হীৰেন ভট্টাচাৰ্য দেৱৰ জন্মদিন উদ্‌যাপন



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ কবি চক্ৰৰ উদ্যোগত সুগন্ধি পখিলাৰ কবি হীৰেন ভট্টাচাৰ্য দেৱৰ জন্মদিনটি যোৱা ২৮ জুলাই, সোমবাৰে শিৱসাগৰ চহৰৰ শংকৰ মন্দিৰ ৰোডৰ দীপালী ভট্টাচাৰ্য বৰুৱাৰ বাসগৃহত উলহমালহেৰে উদ্‌যাপন কৰা হয়। উল্লেখযোগ্য যে, অনুষ্ঠানটিত মুখ্য আলোচক হিচাপে অংশগ্ৰহণ কৰি বিশিষ্ট কবি পুঞ্জন বৰুৱাই হীৰেন ভট্টাচাৰ্যৰ কবিতাৰ ওপৰত আলোকপাত কৰাৰ লগতে তেখেতৰ ব্যক্তিত্বৰ বিষয়ে, তেখেতৰ সৈতে লাভ কৰা সান্নিধ্যৰ বিষয়ে সুন্দৰকৈ বক্তৃতা আগবঢ়ায়। লগতে সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট কবি প্ৰেম গগৈ, সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন উপ-সভাপতি কবি হৰেন গগৈ, শিৱসাগৰ কবি চক্ৰৰ প্ৰাক্তন সভাপতি, বিশিষ্ট লেখিকা দীপালী ভট্টাচাৰ্য বৰুৱা, বিশিষ্ট কবি বিজয় ৰবি দাস, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য বাবুল বৰুৱা, কবি চন্দ্ৰলেখা ৰাজখোৱা আদিয়ে কবি হীৰুদাৰ লগত এসময়ত কটোৱা মধুৰ কিছু কিছু ক্ষণৰ স্মৃতি ৰোমন্থণ কৰি কবিগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰে। আনহাতে লেখিকা দীপালী ভট্টাচাৰ্য বৰুৱাই হীৰেন ভট্টাচাৰ্যৰ জীৱনৰ আধাৰত ৰচনা কৰা ‘ৰ’দে বৰষুণে’ নামৰ গ্ৰন্থখনৰ বিষয়ে বহু কথাই অৱগত কৰে। নাজিৰা শাখা কবি সন্মিলনৰ সম্পাদক হৰেন চন্দ্ৰ নাথে হীৰুদাৰ কবিতাৰ বিষয়ে সুন্দৰ ব্যাখ্যা আগবঢ়ায়। শিৱসাগৰ জিলা কবি সন্মিলনৰ ভাৰপ্ৰাপ্ত সম্পাদক বিজু বৰঠাকুৰ আৰু প্ৰাঞ্জল আবিৰ দাস, অমৰ জ্যোতি দত্ত, দেৱযানী মহন্ত, মণিমালা বৰুৱা দত্ত, ইলোৰা ভাগৱতী, শিল্পী হাতীবৰুৱা দাস, বিদিশা চেতিয়া, ৰ’দালি বৰুৱা আদিয়ে হীৰুদাৰ কবিতা, গীত পৰিৱেশন কৰি অনুষ্ঠানটি জীপাল কৰি তোলে। শিৱসাগৰ কবি চক্ৰৰ সভাপতি তথা বিশিষ্ট কবি অশ্ৰুমণি দত্ত ঘোষ আৰু সম্পাদক প্ৰশান্ত বৰগোহাঁইয়ে হীৰুদাৰ জন্ম দিৱসৰ অনুষ্ঠানটি সফল আৰু মনোজ্ঞ কৰি তোলাৰ বাবে সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে।

# চ্যুকাফা যুৱক সংঘৰ উদ্যোগত গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদানৰ সফল সামৰণি



**বুলমণি বৰি, লখিমপুৰ ঃ** শিক্ষকে একো একোজন ছাত্ৰৰ জীৱনত ভৱিষ্যৎ বিকাশৰ গতিপথ নিৰ্ণয় কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা আহৰণৰ জৰিয়তে নিজক উপযুক্তভাৱে প্ৰয়োগ কৰি স্ব নিৰ্ধাৰিত লক্ষ্যত উপনীত হ’বলৈ সক্ষম হয়। সেয়ে এখন সমাজৰ কেন্দ্ৰস্থ ব্যক্তি শিক্ষকসকল আৰু স্বাভাৱিকতেই সমাজ বা সম্প্ৰদায়ৰ প্ৰতি শিক্ষকৰ এক গুৰুত্বপূৰ্ণ দায়িত্ব আৰু কৰ্তব্য থকাৰ কথা অনুভৱ কৰা হয় আৰু সেই অনুভৱৰ স্বীকৃতি স্বৰূপ খনাজান আহোম গাঁৱৰ শিক্ষক সমাজ। যোৱা ১৩ জুলাই তাৰিখৰ পৰা ২৪ জুলাই তাৰিখলৈকে মুঠ ১২ টা দিন চ্যুকাফা যুৱক সংঘৰ উদ্যোগত সভাপতি মানস গগৈ সম্পাদক বিযেশ্বৰ গগৈ কোষাধ্যক্ষ গুণীণ গগৈৰ লগতে ৰুবুল গগৈ আৰু ঋষিকেশ বুঢ়াগোহাঁইৰ নেতৃত্বত প্ৰথম শ্ৰেণীৰ পৰা ক্লাছ এইটৰ ছাত্ৰ-ছাত্ৰীসকলক খনাজান আহোম গাঁৱৰ হৰি মন্দিৰত গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদান আগবঢ়ালে শিক্ষক ক্ৰমে উপেন দাস প্ৰশান্ত বুঢ়াগোহাঁই বাবুল গগৈ সংগীতা গগৈ যাদৱ গগৈ আৰু বিযেশ্বৰ গগৈয়ে। ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্ব গঠন আৰু সমাজৰ হিত সাধন কৰি তোলাৰ ক্ষেত্ৰত গাঁওখনৰ শিক্ষকসকলে যি গুৰু দায়িত্ব পালন কৰিছে এই ক্ষেত্ৰত শলাগ লৈছে খনাজান আহোম গাঁৱৰ গাঁওবাসী ৰাইজে।

# অসম সাহিত্য সভাই পালন কৰে 'সুগন্ধি পখিলাৰ দিন'

## কবিবোৰ অহংকাৰী হ'ব নালাগে, বিনয়ী হ'ব লাগে ঃ ড° বসন্ত কুমাৰ গোস্বামী




**ৰমেন ভৰালী, বংশৰ ঃ** 'কবিতা মুহূৰ্ততে লিখা সম্ভৱ নহয়। ইয়াৰ বাবে চৰ্চা, সাধনা আৰু অধ্যয়নৰ খুবেই প্ৰয়োজন। ইয়াৰোপৰি কবিবোৰ বিনয়ী হ'ব লাগে। অহংকাৰী হ'ব নালাগে।' অসম সাহিত্য সভাৰ কবি সন্মিলন উপ-সমিতিৰ উদ্যোগত আয়োজন কৰা 'সুগন্ধি পখিলাৰ দিন'ৰ শুভ উদ্বোধন কৰি এনেদৰে কয় অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে। 'প্ৰেম আৰু ৰ'দালি'ৰ কবি হীৰেন ভট্টাচাৰ্যৰ ৯৩ সংখ্যক জন্মদিনটো অসম সাহিত্য সভাৰ কবি সন্মিলন উপ-সমিতিৰ উদ্যোগত 'সুগন্ধি পখিলাৰ দিন' হিচাপে যোৱা ২৮ জুলাইত দিনযোৰা কাৰ্যসূচীৰে অসম সাহিত্য সভাৰ গুৱাহাটীস্থিত কাৰ্যালয়ৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ নেহা আগৰৱালা সভা কক্ষত অনুষ্ঠিত হয়। অসম সাহিত্য সভাৰ কবি সন্মিলন উপ-সমিতিৰ উদ্যোগত অনুষ্ঠিত কথা— কবিতাৰে শ্ৰদ্ধাৰ্ঘ নিবেদনৰ এই আয়োজনত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই আদৰণী ভাষণ প্ৰদান কৰি সুগন্ধি পখিলাৰ কবি হীৰেন ভট্টাচাৰ্যৰ জীৱন কৃতি সম্পৰ্কে বিস্তাৰিতভাৱে কোৱাৰ লগতে কবি গৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানটিত জাতীয় কবি আনিছ উজ জামানে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি হীৰুদাক স্মৰণ কৰে। কবি সন্মিলন উপ-সমিতিৰ উপ-সভাপতি হৰেন্দ্ৰ বৰাই সঞ্চালনা কৰা অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে বিশিষ্ট কবি নীলিমা ঠাকুৰীয়া হকে। কবি সন্মিলন উপ-সমিতিৰ আহ্বায়ক নৱ ৰাজনে আঁত ধৰা শ্ৰদ্ধাৰ্ঘ অনুষ্ঠানটিৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে কবি সন্মিলন উপ-সমিতিৰ উপ-সভাপতি মনোজ কুমাৰ দাসে। কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং, বাক্সা, শোণিতপুৰ, দৰং, ধেমাজি, বজালী, শিৱসাগৰ, মৰিগাঁও, হোজাই, কামৰূপ (মহানগৰ), কামৰূপ, গোৱালপাৰা, বঙাইগাঁও, নলবাৰীকে আদি কৰি অসম সাহিত্য সভাৰ বিভিন্ন জিলা সাহিত্য সভা সমূহক প্ৰতিনিধিত্ব কৰি তিনিকুৰিৰ অধিক কবিয়ে হীৰুদাৰ কবিতা পাঠেৰে অনুষ্ঠানটি জীপাল কৰি তোলে। অনুষ্ঠানৰ শেষত সহযোগী আহ্বায়ক প্ৰদীপ চন্দ্ৰ শৰ্মাই শলাগৰ শৰাই আগবঢ়ায়। উক্ত অনুষ্ঠানতে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী আৰু প্ৰধান সম্পাদকে দেৱজিৎ বৰাই বিশিষ্ট কবি নীলিমা ঠাকুৰীয়া হকক কবি সন্মিলন উপ-সমিতিৰ কাৰ্যকৰী সভাপতিৰ দায়িত্ব আনুষ্ঠানিকভাৱে অৰ্পণ কৰে।

# ভোগপুৰত সাহিত্যনুৰাগীৰ উদ্যোগত হীৰেন ভট্টাচাৰ্যৰ জন্মজয়ন্তী উদ্‌যাপন...




**বিতোপন গগৈ, শিমলুগুৰি ঃ** 'ধুমুহা-ডাৱৰে ছাউনি পাতিছে, তুমি আগুৰি থাকিবা মোৰ ভৰপক ৰূপহী পথাৰ'....এনে বিচিত্ৰ ছন্দোময় শব্দৰ বিচ্ছুৰিত জোনাকী মন লৈ ১৯৩২ চনৰ ২৮ জুলাইত পিতৃ তীৰ্থনাথ ভট্টাচাৰ্য আৰু মাতৃ স্নেহলতাৰ গৰ্ভত জন্ম লাভ কৰা প্ৰেম আৰু ৰ'দালিৰ কবি হীৰেন ভট্টাচাৰ্যৰ জন্ম দিনটো উদ্‌যাপন কৰে ভোগপুৰৰ শংকৰজ্যোতি মিলন সংঘত সাহিত্যনুৰাগী সভাৰ উদ্যোগত। পুৱা পতাকা উত্তোলন কৰে সভাপতি কুলদীপ বৰাই আৰু হীৰেন ভট্টাচাৰ্যৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে আবৃত্তিকাৰ গগন বৰাই। সম্পাদক বিকাশ দাসে আঁত ধৰা অনুষ্ঠানৰ লগত সঙ্গতি ৰাখি আয়োজন কৰা চিত্ৰাংকন আৰু হীৰুদাৰ কবিতা (মোৰ দেশ, নাগৰিক) আবৃত্তি প্ৰতিযোগিতাৰ সভাপতি আছিল ইষ্টাৰ্ণ ছিনিয়ৰ ছেকেণ্ডৰী স্কুলৰ শিক্ষক নন্দেশ্বৰ দলৈ। উপদেষ্টা মানসী শইকীয়াৰ তত্বাৱধানত উদীয়মান যুৱক-যুৱতীসকলৰদ্বাৰা আয়োজিত সুন্দৰ কাৰ্যক্ৰমৰ মূল সভাত সুগন্ধি পখিলাৰ কবিগৰাকীৰ জীৱন আৰু কবিতাৰ প্ৰসংগত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে শংকৰদেৱ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ অজিত গোস্বামীয়ে। বিহপুৰীয়া বিধান সভা সমষ্টিৰ বিধায়ক ড° অমিয় কুমাৰ ভূঞা বিশিষ্ট অতিথি, সমাজ কৰ্মী ৰাজীৱ বৰুৱা, গোঁহাই কমল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মনোজ কুমাৰ বৰা, বিনোদ তামুলী আদি নিমন্ত্ৰিত অতিথি উপস্থিত থকা সভাত শিল্পী খৰ্গেশ্বৰ (নিতুল) বৰুৱাই 'আমোলমোল শেৱালিৰ গোন্ধ' গীতটো পৰিৱেশন কৰে। বিজয়ী ছাত্ৰ-ছাত্ৰীসকলক ট্ৰফী, কিতাপ আৰু মানপত্ৰ প্ৰদান কৰে।

# কামৰূপত দেশভক্তি দিৱস পালন



**ৰমেন ভৰালী, বংশৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে যোৱা ২৮ জুলাইত কামৰূপ জিলাতো দেশভক্ত তৰুণৰাম ফুকনৰ পুণ্য তিথিৰ সৈতে সংগতি ৰাখি দেশভক্তি দিৱস পালন কৰা হয়। কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আমিনগাঁওস্থিত সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত দেশভক্তি দিৱসৰ কাৰ্যসূচী দেশভক্ত তৰুণৰাম ফুকনৰ প্ৰতিচ্ছবিত শ্ৰদ্ধা তৰ্পণৰে আৰম্ভ হয়। দেশভক্তি দিৱসৰ কাৰ্যসূচীত কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই মুখ্য অতিথিৰূপে বক্তব্য ৰাখি দেশভক্ত তৰুণৰাম ফুকনৰ গভীৰ স্বদেশপ্ৰেমৰ কথা সোঁৱৰণ কৰে তথা দেশৰ স্বাধীনতা সংগ্ৰামত তেখেতৰ সক্ৰিয় অংশগ্ৰহণৰ বিষয়ে বিস্তৃতভাৱে উল্লেখ কৰে। জিলা আয়ুক্তগৰাকীয়ে কয় যে ভাৰতৰ স্বাধীনতা সংগ্ৰামত অসমক সন্মুখৰ পৰা নেতৃত্ব দিয়াসকলৰ অন্যতম আছিল দেশভক্ত তৰুণৰাম ফুকন। এইগৰাকী মহান স্বাধীনতা সংগ্ৰামীয়ে মহাত্মা গান্ধীৰ বাণীৰে উদ্বুদ্ধ হৈ অসমত স্বাধীনতা আন্দোলনক এক নতুন গতিৰে আগুৱাই লৈ গৈছিল। 'তৰিলে দেশ, মৰিলে স্বৰ্গ'- বাণীৰে অসমীয়া জাতিটোক দেশভক্ত তৰুণৰাম ফুকনে স্বাধীনতা সংগ্ৰামত জঁপিয়াই পৰিবলৈ অনুপ্ৰাণিত কৰিছিল। তেওঁ লগতে উল্লেখ কৰে যে তৰুণৰাম ফুকন কেৱল এগৰাকী স্বাধীনতা সংগ্ৰামীয়ে নহয়, তেওঁ এগৰাকী বিচক্ষণ ৰাজনীতিবিদ, এগৰাকী সুদক্ষ বক্তা, সাহিত্যিক আদি বহু গুণসম্পন্ন ব্যক্তি আছিল। এনে এগৰাকী ব্যক্তিৰ জীৱন আৰু দেশপ্ৰেমৰ আদৰ্শৰে উদ্বুদ্ধ হৈ সকলোকে জীৱনৰ বাটত আগুৱাই যাবলৈও জিলা আয়ুক্তগৰাকীয়ে আহ্বান জনায়। অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকি আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, অসমৰ সহযোগী অধ্যাপক ড° ভাস্কৰজ্যোতি শৰ্মাই দেশভক্ত তৰুণৰাম ফুকনে দেশৰ স্বাধীনতাৰ বাবে কৰা অসীম ত্যাগৰ ওপৰত ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানত বিশেষ অতিথিৰূপে বিশিষ্ট শিল্পী তথা নাট পৰিচালক অনুপজ্যোতি চৌধুৰী উপস্থিত থাকে। অনুষ্ঠানত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত, অতিৰিক্ত জিলা আয়ুক্ত ক্ৰমে সুজাতা গগৈ আৰু প্ৰিয়াংশু ভৰদ্বাজ, সহকাৰী আয়ুক্তসকল, বিভিন্ন বিভাগ আৰু জিলা প্ৰশাসনৰ কৰ্মচাৰীসকল উপস্থিত থাকে। অনুষ্ঠানৰ জৰিয়তে দেশভক্ত তৰুণৰাম ফুকনৰ গভীৰ স্বদেশপ্ৰেমৰ লগতে তেওঁৰ জীৱন আৰু কৰ্মৰাজিক সোঁৱৰণ কৰা হয়।

# নগাঁৱত গ্ৰীষ্মকালীন ক্ৰিকেট প্ৰশিক্ষণ শিবিৰৰ সামৰণি




**জয়ন্ত মুদৈ, নগাঁওঃ** অসম ক্ৰিকেট সন্থাৰ অধীনত আৰু নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত যোৱা ১২ জুলাইৰ পৰা নুৰুল আমিন ষ্টেডিয়ামত চলি থকা পোন্ধৰ দিনীয়া গ্ৰীষ্মকালীন ক্ৰিকেট প্ৰশিক্ষণ শিবিৰৰ ২৬ জুলাইত সফলতাৰে সামৰণি পৰে। জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰায় দুশগৰাকী চেমনীয়া (ল'ৰা-ছোৱালী) খেলুৱৈয়ে ভাগ লোৱা এই প্ৰশিক্ষণ শিবিৰটোৰ সামৰণি উপলক্ষে আয়োজিত অনুষ্ঠানত প্ৰাক্তন ক্ৰিকেটাৰ তথা সমাজসেৱিকা নৱনীতা শৰ্মা মুখ্য অতিথিৰূপে উপস্থিত থাকি খেলুৱৈসকলৰ উপযোগী ভাষণ প্ৰদান কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মুখ্য অতিথি নৱনীতা শৰ্মাৰ লগতে নগাঁও ক্ৰীড়া সংস্থাৰ কোষাধ্যক্ষ অসীম কুমাৰ ভাৱাল, যুটীয়া সম্পাদক অমিতাভ বৰা, খেলপথাৰ সম্পাদক দেৱজিৎ দাস, সাঁতোৰ শাখাৰ সম্পাদক সমীৰ হাজৰিকা আৰু কাৰ্যনিৰ্বাহক সদস্য আজহাৰউদ্দিন আহমেদ উপস্থিত থাকি প্ৰশিক্ষাৰ্থীসকলৰ মাজত প্ৰমাণ-পত্ৰ বিতৰণ কৰে। প্ৰশিক্ষণ শিবিৰটোত এন চি এ লেভেল 'এক্স প্ৰশিক্ষক ৰূপশ্ৰী শৰ্মা মুখ্য প্ৰশিক্ষকৰূপে থকাৰ বিপৰীতে সহযোগী প্ৰশিক্ষকৰূপে প্ৰাক্তন ৰাজ্যিক খেলুৱৈ ৰীতা বৈদ্য কাকতি, এ চি এ লেভেল' এক্স প্ৰশিক্ষক ইয়াদ-ইন-ইছলাম, ইয়াচিনুল হক আৰু সন্দীপণ হাজৰিকা আছিল। নগাঁও ক্ৰীড়া সংস্থাৰ ক্ৰিকেট শাখাৰ সম্পাদক মৃণাল কুমাৰ হাজৰিকাই জানিবলৈ দিয়া মতে, যোৱা ১২ জুলাইত এই প্ৰশিক্ষণ শিবিৰৰ প্ৰথম দিনাখন ৰাজ্যৰ প্ৰখ্যাত ক্ৰিকেটাৰ তথা বৰ্তমানৰ প্ৰশিক্ষক আবু নেচিম আহমেদ উপস্থিত থাকি খেলুৱৈসকলক প্ৰশিক্ষণ আগবঢ়াইছিল।

# নগাঁৱত হিন্দুস্তানী শাস্ত্ৰীয় সংগীত,লঘু শাস্ত্ৰীয় সংগীত, মননশীল অসমীয়া সংগীতৰ কৰ্মশালা

**বিশেষ সংবাদদাতা, নগাঁও ঃ** শাস্ত্ৰীয় সংগীত মঞ্চ, নগাঁৱৰ উদ্যোগত নগাঁও বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগ আৰু আদিত্য ষ্ট্ৰীট ফুডছ, নগাঁৱৰ সহযোগত নগাঁও বিশ্ববিদ্যালয়ত পাঁচদিনিয়াকৈ অনুষ্ঠিত হৈছে হিন্দুস্তানী শাস্ত্ৰীয় সংগীত, লঘু শাস্ত্ৰীয় সংগীত, মননশীল অসমীয়া সংগীতৰ এক কৰ্মশালাৰ। কৰ্মশালাখনিৰ শুভাৰম্ভ কৰে নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই। আয়ুক্ত গৰাকীয়ে কৰ্মশালাখনি শুভাৰম্ভ কৰি কয়- সংগীতৰ ঘাই শিপা ডালেই হৈছে শাস্ত্ৰীয় সংগীত। সেয়ে শাস্ত্ৰীয় সংগীতক সংগীতৰ প্ৰথম মধ্যমণি হিচাপে আমি আহৰণ কৰিব লাগে। মই এই অনুষ্ঠানটোত উপস্থিত থাকি বহু আনন্দ উপভোগ কৰিছোঁ। উঠি যুৱ চামে এই কৰ্মশালাৰ জৰিয়তে সংগীতৰ ক্ষেত্ৰখনত বহুখিনি দিশত আগবাঢ়ি যাব পাৰিব। সেয়ে এই কৰ্মশালাৰ লগত জড়িত হৈ পৰা নগাঁৱৰ বিশিষ্ট ব্যক্তিসকলক ধন্যবাদ জনাইছোঁ বুলি কৈ নগাঁওবাসী ৰাইজলৈ এক ইতিবাচক মতামত আগবঢ়ায়। উল্লেখ্য যে প্ৰায় ৬০ গৰাকীৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাখনিত বিশিষ্ট সমাজকৰ্মী ধনপট ঘেৰাৱত, জোন ৰাজখোৱা, নাট্যকাৰ নাট পৰিচালক মুনীন্দ্ৰ গোস্বামী, সংগীত শিল্পী মঞ্চৰ সভাপতি তথা অধ্যাপক ধনঞ্জয় কুশ্ৰে, নগাঁও বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগৰ অধ্যাপিকা ড° কৰবী দেৱী, ৰাজনীতি বিভাগৰ মুৰব্বী অধ্যাপিকা ড° সংগীতা বৰা, শাস্ত্ৰীয় সংগীত শিল্পী দীপক কুমাৰ দাস, সুৱাগমণি মহন্ত, ইন্দ্ৰানী বৰাকে ধৰি ভালেসংখ্যক গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

## মৰমবোৰ মৰম হৈয়ে থাকিব দিয়া

**ৰূপালী গগৈ চুতীয়া**
ডিব্ৰুগড়

ব্যস্ততাৰ মাজতো আপোনৰ
খবৰ লোৱা
কেনেকৈ কওঁ জোনাক আঁতৰাই
অমাৱস্যাক আদৰা।
শাওনৰ ৰ'দ নেওচি
সপোন ৰচিলা,
নাঙলৰ বোকা মাটিৰ
সুৰ তুলি নাচিবাগি
আপোন পাহৰি বৃষ্টি আনিলা।
এইয়াই বিচাৰি ফুৰা সুখ
কোৰৰ চাবত আলি বান্ধি
মনৰ মাজত পিৰিতিৰ
বীজ সিঁচি তামোলৰ বোল,
ওঁঠত হাঁহি আঁকি
বাৰে বাৰে কাৰ প্ৰেমত পৰিছা?
জানিবৰ মন কোমল হৃদয়ত
কাৰ নামৰ থাপনা পাতিছা?
মাজতে জিৰণি লৈ
পানী খাই খাই
পুনৰ আপোনজনৰ খবৰ
ল'বলৈ যেন নাপাহৰা।
সেয়ে কওঁ মৰমবোৰ মৰম
হৈয়ে থাকিব দিয়া
নতুন নামেৰে নামাকৰণ
কৰিব নালাগে আৰু এতিয়া
নালাগে আৰু এতিয়া।



## অৰণ্যৰোদন

**জ্যোতিস্মিতা বৰা**

মই এটা জোনাকী ধৰি আনিলোঁ
কিমান আৰু উৰিবি মুক্ত আকাশৰ বুকুত
এবাৰ জিৰাই যা মানৱৰ কোলাত
এই যে জীৱশ্ৰেষ্ঠ মানুহ।

মানুহৰ কোলাত উচুপি উঠা
পোহৰ এমুঠিৰ বাবে
আন্ধাৰৰ কত জিজ্ঞাসা জন্ম।

অৰণ্যৰ বাবে এখন ঘৰ সাজি দিছোঁ
তাতে ছাঁবোৰে আমাক উমলাব,
নিতাল যৌৱনৰ মাধুৰ্য বিচাৰি
পোহৰে দুহাতত ধৰিব।

আগতে ৰ'দৰ জিৰাবলৈ ঠাই আছিল,
এতিয়া নাই
সেইবাবে তাৰ অক্লান্ত গতি।
ছাঁবোৰক এৰি থৈ মানৱৰ কোলাত সিহঁতে
আশ্ৰয় বিচাৰিছে।

পৃথিৱীক আলিংগন জনোৱাৰ হেঁপাহেৰে
পোহৰ এডৰা সেউজমুখী হৈ আহিছিল,
জলফাই ৰঙী ছাঁৰ বুকুত উশাহ এটি গুজি
পুনৰ আকাশলৈ উৰা মাৰিছিল অৰণ্যৰ যৌৱন।
জোনজনী গাভৰু হৈ উঠাৰ দিনতেই
তাইক ঢাকি ৰাখিব পৰাকৈ,
অৰণ্যৰ উৰণিখন কৰবাত হেৰাই গৈছিল।
আগতে সেউজীৰ ঘৰ সকলোতে আছিল
এতিয়া সেউজীয়া বুঢ়া হ'ল
সন্তানৰ বাবে পৃথিৱী এৰি কৰবাত মাত্ৰ নিঃসংগ
মনে পৰি ৰৈছে
সেই সন্তানবোৰেই হৈছে মানুহ।

**ম'বাইল ঃ** ৮৪৭৪৮-৯৪৫৩৬

## মিলনৰ সুৰ

**যমুনা দুলু বৈশ্য**
শুৱালকুছি

দুখবোৰ সাৰে থাকে
সাৰপায় থাকে গভীৰ নিশা জিলীৰ চিঞৰ
হুমনিয়াহ বোৰ এৰি দিওঁ বিশাল সাগৰত---
প্ৰকৃতিৰ বুকুত ঘন উশাহ–
মুখা পিন্ধাবোৰ অন্ধকাৰ স'তে
সঁচাবোৰক লুকুয়াই ৰং ধেমালি।

সময় গতিৰে আগবাঢ়ে –
পোৱাৰ মোহনাত তোমালৈ
মৰম নিগৰাই বৈ যায় এবুকুলৈ
মিলনৰ সুৰ– বাজি থাকে–
দুটি মন এটি হোৱাৰ সুৰ— ।
মিঠা মিঠা ৰ'দালিৰ বা
পুৱাৰ পোহৰে হাঁহিছে এন্ধাৰ এৰি
সুগন্ধিৰে এপাহ ৰজনীগন্ধা
কি যে মনোমোহা বিয়পিছে
ববলৈ দিয়া, শিহৰণত মন ৰাঙলী
উমান পালো সাধনা হে
সময়ৰ জীৱন পৰিক্ৰমা।

## প্ৰেমৰ বলিয়া বতাহ

**অন্নপূৰ্ণা বৰা,** যোৰহাট

প্ৰেমৰ বলিয়া বতাহ
জোৰকে বলিছে
কেৱল এই বতাহত নাৰীয়ে নহয়
বহু পুৰুষও ধৰ্ষিত আজি

এতিয়া প্ৰেমৰ বাবে কপি নুঠে
তাজমহল, এতিয়া প্ৰেমৰ বাবেই
বলিছে বিষাক্ত বতাহ
প্ৰেমৰ বাবে নুফুলে ৰজনীগন্ধা

প্ৰেমিকাই বিয়েৰ বিচাৰি হাহাকাৰ কৰে প্ৰেমিকক
সুৰাৰ ৰাগিত হয় উচ্চকথোপকথন, শেষ হয় নামী
বেণ্ডৰ চিগাৰেট-

প্ৰতি দিনৰ শেষ ৰাতি মাতাল প্ৰেমিকাৰ দুৱাৰত
টোকৰ, দুৰবিৰ্হ জীৱন শৈলী
সম্ভাৱনাবোৰ এইদৰত মৃত্যুমুখী হয়, প্ৰেম
কেতিয়াবা সৰগীয় হয়
এতিয়া কেৱল বিষাক্ত বতাহ
সপোনবোৰ হৈ পৰে কবৰ
সম্ভাৱনা হৈ পৰে শ্মশান
দোষ কাৰ পৰিয়ালৰ নে সমাজ ব্যৱস্থাৰ নে
অতিমাত্ৰীক স্বাধীনতাৰ।

## অস্ত্ৰ

**বিনিময় দাস**

তুমি মোক আঘাত কৰিবা----
এয়া ইচ্ছাতে তুমি হৈছিলা অধীৰ,
তোমাৰ ইচ্ছাকে সন্মান জনাবলৈ
তোমাৰ আয়ত্তত আগুৱাই দিছিলো শৰীৰ।
কিন্তু তাতেই তোমাৰ অৱজ্ঞা
কথাৰ কাঁইট যেন তোমাৰ অস্ত্ৰ অক্ষয়,
যাৰ আঘাতত ক্ষত-বিক্ষত কৰিলা
মোৰ হৃদয়।

**ম'বাইল ঃ** ৯৪৩৫৫৩৭৫৯১

## নাম

**নীলোৎপল শইকীয়া,** নগাঁও

হঠাতেই খবৰ আহিল,
গ'ল মানে...নাই...
'মই যাওঁ..'
'ভাত কেইটা খাই ল'ব লাগিছিল..'
'আহি খাম...তই নুবুজ..'
'ৰাইজ আহে মানে ...শ দাহ হ'বলৈ দেৰি আছে,
এনেও গাটো বেয়া কৰে..'
'তই একো নাজান সম্পৰ্ক কি....নুবুজ...'
....'ঠিকেই বহুত কথাই বুজা ন'হল..বহু এৰা
হ'ল,ধৰা ন'হল'...

# নগাঁৱৰ নৱৰূপ ছিনিয়ৰ চেকেণ্ডেৰী স্কুলৰ নৱাগত আদৰণি আৰু বঁটা প্ৰদান অনুষ্ঠান

**বিশেষ সংবাদদাতা, নগাঁও ঃ** আজিৰ নতুন প্ৰজন্মই নিজৰ ভাষা-সাহিত্য -সংস্কৃতি- সভ্যতা আৰু ঐতিহ্যক শ্ৰদ্ধা জনালেহে জাতিটো জীয়াই থাকিব। বৰ্তমানৰ প্ৰতিযোগিতাৰ যুগত শিক্ষাৰ্থীসকলে আধুনিক তথা বিজ্ঞানসন্মত শিক্ষা গ্ৰহণ কৰিব লাগিব আৰু ইয়াৰ সমান্তৰালভাৱে নিজৰ জাতিটোৰ প্ৰতি দায়বদ্ধ হোৱাটো বাঞ্ছনীয়। এই মন্তব্য আগবঢ়ায় নগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকীয়ে। নগাঁও চহৰৰ অগ্ৰণী শিক্ষানুষ্ঠান নৱৰূপ ছিনিয়ৰ চেকেণ্ডেৰী স্কুলৰ নৱাগত আদৰণি আৰু বঁটা প্ৰদান অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট শিক্ষাবিদ ড° বৰকটকীয়ে এই মন্তব্য আগবঢ়ায়। উক্ত অনুষ্ঠানত উপস্থিত থাকি নগাঁৱৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সদানন্দ পায়েং কয়- নৱৰূপ ছিনিয়ৰ চেকেণ্ডেৰী স্কুল এতিয়া এখন শিক্ষানুষ্ঠান হৈ থকা নাই, ই অসমীয়া জাতীয় জীৱন অন্যতম এক নিৰৱ আন্দোলন। যিখন শিক্ষানুষ্ঠানে অসমীয়া ভাষা- সাহিত্য-সংস্কৃতিৰ আৰু ঐতিহ্যক নব প্ৰজন্মৰ মাজত প্ৰচাৰ-প্ৰসাৰ আৰু সংবৰ্ধনৰ বাবে অহোৰাত্ৰী নিয়োজিত হৈ আছে। ই সঁচাকৈ প্ৰসংশনীয়। অনুষ্ঠানত উপস্থিত থকা নগাঁও ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কুলেন চন্দ্ৰ দাস, নগাঁও উন্নয়ণ প্ৰাধিকৰণৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মা, নৱৰূপ ছিনিয়ৰ চেকেণ্ডেৰী স্কুলৰ পৰিচালনা সমিতিৰ সভাপতি তথা পুৰণিগুদাম বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° কমল চন্দ্ৰ শইকীয়াই চমু ভাষণ প্ৰদান কৰে। নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আয়োজিত তথা শিক্ষানুষ্ঠানখনৰ সচিব মুনীন্দ্ৰ শইকীয়াই আঁত ধৰা এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানতে চলিত বৰ্ষত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত শিক্ষানুষ্ঠানখনৰ কলা শাখাত সৰ্বোচ্চ নম্বৰ লাভ কৰা কৃষ্টি শইকীয়াক আনুষ্ঠানিকভাৱে মায়ংকী কাশ্যপ সোঁৱৰণী বঁটা প্ৰদান কৰাৰ লগতে নৱৰূপ বৰ্ষ শ্ৰেষ্ঠ বঁটা ক্ৰমে - শিক্ষানুষ্ঠানখনৰ বিজ্ঞান শাখাৰ নীৰজ প্ৰিয়ম গগৈ, কববী কৃষ্ণা বৰা আৰু কৃষ্টি শইকীয়াক উপস্থিত বিশিষ্ট অতিথিসকলে প্ৰদান কৰে। অনুষ্ঠানত মায়াংকী কাশ্যপৰ পিতৃ-মাতৃ ক্ৰমে - মুকুল শইকীয়া, শেৱালী বৰুৱা শইকীয়া, অধ্যক্ষা উৎপলা বৰা, প্ৰধান শিক্ষয়িত্ৰী নিভা শইকীয়া, ৰেক্টৰ সংগীতা বৰুৱা, গণেশ বৰা উপস্থিত থাকে।

# নগাঁৱৰ জন কল্যাণ বিত্তীয় প্ৰতিষ্ঠানটিলৈ ৰাষ্ট্ৰীয় ব্যৱসায়ীক ২০২৫ বৰ্ষৰ বটাঁ প্ৰদান

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও চহৰৰ মাজমজিয়াৰ মনালিছা হোটেলৰ নিচেই কাষতে অৱস্থিত জনকল্যাণ নামেৰে বিত্তীয় প্ৰতিষ্ঠাটিয়ে ২০২৫ বৰ্ষৰ শ্ৰেষ্ঠ ৰাষ্ট্ৰীয় ব্যৱসায়ীক বটাঁ লাভ কৰি সমগ্ৰ অসমৰ লগতে জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। বিত্তীয় প্ৰতিষ্ঠাটিয়ে নিজৰ কামৰ একাগ্ৰতা, কৰ্মৰ উৎকৰ্ষ, সাধনা, অশেষ কষ্টৰ ফলতেই অসমৰ ঋণ সমবায় সমিতিয়ে অলপতে গুৱাহাটীত অনুষ্ঠিত কৰা এক বিশেষ অনুষ্ঠানত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গে নিজ হাতেৰে এই ব্যৱসায়ীক প্ৰতিষ্ঠানটিলৈ ৰাষ্ট্ৰীয় শ্ৰেষ্ঠ ব্যৱসায়ীক সন্মানৰ বটাঁটি আগবঢ়ায়। ২০২২ চনতে নগাঁৱৰ কেইজনমান উদীয়মান যুৱকৰ প্ৰচেষ্টাত প্ৰাণ পাই উঠা এই বিত্তীয় প্ৰতিষ্ঠাটোত গ্ৰাহক সকলে ধন সঞ্চয় কৰি অতি সহজতেই ঋণ লাভ কৰা ব্যৱস্থা আছে। তদুপৰি যিসকল ক্ষুদ্ৰ ব্যৱসায়ী সেইসকলৰ বাৰে যাৱতীয় নথি-পত্ৰৰ অভাৱত বেংকৰ পৰা ঋণ ল'বলৈ সহজ হৈ নুঠে। কিন্তু তাৰ বিপৰীতে জনকল্যাণ নামৰ বিত্তীয় প্ৰতিষ্ঠাটিত অতি সহজতেই উপলব্ধ। সেয়ে যিসকল লোকে এটি ক্ষুদ্ৰ ঋণ লৈ নিজক নিজেই স্বাৱলম্বী হ'ব বিচাৰিছে সেইসকল গ্ৰাহকক অতিশীঘ্ৰে ব্যৱসায়ীক প্ৰতিষ্ঠানটিলৈ আহি সুবিধাটি গ্ৰহণ কৰিবলৈ কৰ্তৃপক্ষৰ পৰা জানিবলৈ দিয়ে। উল্লেখ্য যে বিত্তীয় প্ৰতিষ্ঠাটিয়ে লাভ কৰা এই সফলতাত সমগ্ৰ নগাঁওবাসী ৰাইজে শলাগ লৈছে।

# যি মূলা বাঢ়ে তাৰ দুপাততে চিন



**অনামিকা (সংগীতা) কলিতা, শুৱালকুছি ঃ** প্ৰতিভা থাকিলে প্ৰকাশ পাব কাৰণ সূৰ্যক কেতিয়াও ঢাকি ৰাখিব নোৱাৰে। শুৱালকুছি ২নং আদাবৈৰ নিৱাসী প্ৰকাশ কলিতা আৰু চুমি কলিতাৰ একমাত্ৰ সন্তান ধৃতিস্মিতা কলিতা এগৰাকী প্ৰতিভা সম্পন্ন দশম শ্ৰেণীত পঢ়ি থকা ছাত্ৰী। সৰুৰে পৰা পঢ়াত তীক্ষ্ণ হোৱাৰ লগতে খেলা-ধূলা আৰু গীত-মাত আদি সকলো ক্ষেত্ৰতো আগৰণুৱা। এতিয়ালৈকে ট্ৰফী, গ্ৰন্থ, মেডেল, মানপত্ৰ আদি অনেক পুৰস্কাৰ লাভ কৰিছে। প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ প্ৰথম হৈ নিজৰ স্থান ৰাখিব পাৰিছে। কোনেও লৰাব পৰা নাই, নিজৰ একক সাধনা প্ৰচেষ্টা কাৰণে সকলোৰে আদৰ্শ। দেউতাকৰ এখন সৰু গেলামালৰ দোকান তথাপিও তাইক যিখিনি পাৰে সুবিধা কৰি দিছে। মাকেও যিমান পাৰে তাইৰ কাৰণে কষ্ট কৰে। মাতৃভাষাৰ প্ৰতি সদায় সচেতন লগতে ইংৰাজী ভাষাটোৰ যথেষ্ট দখল আছে। সৰুৰে পৰা ইংৰাজী-অসমীয়া বানান প্ৰতিযোগিতাত পুৰস্কৃত হৈ আহিছে। গীত-মাত, কবিতা আবৃত্তি, আকস্মিক বক্তৃতা আদিত সুমধুৰ কণ্ঠেৰে সকলোকে মোহিত কৰাৰ উপৰিও নিজৰ স্থান দখল কৰিব পাৰিছে। অলিম্পীয়াড, জিলা ভিত্তিত প্ৰতিযোগিতাত পুৰস্কৃত হৈছে। নৱম শ্ৰেণীত পঢ়ি থাকোঁতে গুজৰাটত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ প্ৰেৰণা উৎসৱ যাবলৈ নিমন্ত্ৰণ পাইছিল গণেশ দাস হাইস্কুলৰ একমাত্ৰ ধৃতিস্মিতা কলিতাই, ছাত্ৰী গৰাকীৰ পাৰফমেঞ্চত উপস্থিত থকা সকলোকে মোহিত কৰিছিল। তাৰ দুমাহ পিছতে 'পৰীক্ষাৰ ওপৰত চৰ্চা' প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ পৰা আকৌ দিল্লীলৈ নিমন্ত্ৰণ পাইছিল। এনে প্ৰতিভাৰ অধিকাৰী ধৃতিস্মিতা কলিতাই দশম শ্ৰেণীৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাতো নিজৰ নাম উজলাই তুলিব তাকে আশা কৰিলোঁ। তাইৰ জীৱনৰ লক্ষ্য এগৰাকী অধ্যাপিকা হোৱাৰ। সকলোৱে আশীৰ্বাদ কৰিব যাতে তাইৰ সপোন বাস্তৱ হয়।

*প্ৰথম পৃষ্ঠাৰ পৰা*

## উৰিয়ামঘাটৰ বেদখলস্থলী পৰিদৰ্শন মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

নিয়মমতে যাতে স্থানীয় যুৱক-যুৱতীসকলে ব্যৱসায় কৰিব পাৰে তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে। নিয়মৰ পৰিধিৰ ভিতৰত থাকি কেনেদৰে স্থানীয় ৰাইজ অঞ্চলটোৰ পৰা উপকৃত হ'ব পাৰে তথা বেদখলমুক্ত ভূমিখিনিও যাতে সংৰক্ষিত হৈ থাকে আৰু বন বিভাগেও বনানীকৰণৰ দৰে পদক্ষেপ গ্ৰহণ কৰিব পাৰে, তাৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি তেওঁ মন্তব্য কৰে। অঞ্চলটোত বেদখলৰ নেপথ্যত থকা দুই-এগৰাকী ব্যক্তিক ইতিমধ্যে আটক কৰা হৈছে বুলি জানিবলৈ দি তেওঁ কয় যে ৰাজ্যৰ বিভিন্ন স্থানত এইদৰে বেদখলমুক্ত কৰিবলগীয়া অঞ্চলৰ এখন দীঘলীয়া তালিকা চৰকাৰৰ হাতত মজুত আছে। মুখ্যমন্ত্ৰীয়ে কয় যে বিগত দিন কেইটাত ৰাজ্যৰ বিভিন্ন স্থানৰ পৰা সামাজিক মাধ্যমযোগে ৰাইজে নিজ নিজ অঞ্চলত হোৱা বেদখল উচ্ছেদৰ বাবে তেওঁক অনুৰোধ জনাইছে। কোনো এটা অঞ্চলত বেদখল আৰম্ভ হোৱা প্ৰত্যক্ষ কৰিলেই সেয়া প্ৰশাসনক অৱগত কৰিবৰ বাবে তেওঁ স্থানীয় ৰাইজ তথা দল-সংগঠনক আহ্বান জনায়। তেওঁ কয় যে ইতিমধ্যে হোৱা বেদখল উচ্ছেদৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব, কিন্তু নতুনকৈ যাতে কোনো ঠাইত বেদখল হ'ব নোৱাৰে তাৰ বাবে স্থানীয় ৰাইজ সচেতন হ'ব লাগিব। ৰাজ্যৰ ভিজিআৰ, পিজিআৰ, সত্ৰ, নামঘৰ, বনভূমি, আদিত হোৱা সকলো অবৈধ আগ্ৰাসন পদ্ধতিগত আৰু প্ৰণালীবদ্ধভাৱে পৰ্যায়ক্ৰমে বেদখলমুক্ত কৰা হ'ব বুলি জানিবলৈ দি তেওঁ কয় যে এই ক্ষেত্ৰত সম্পূৰ্ণ আৱেগ বৰ্জিতভাৱে আৰু আইনমতে ৰাজ্য চৰকাৰ আগবাঢ়িব। উৰিয়ামঘাটৰ এই বেদখল মুক্তকৰণৰ পদক্ষেপ সম্পূৰ্ণ হ'লে ৰাজ্যত এইদৰে বেদখলমুক্ত কৰা ভূমিৰ পৰিমাণ ডেৰ লাখ বিঘাৰো অধিক হ'বগৈ বুলি তেওঁ তথ্য দাঙি ধৰে। এই বেদখলমুক্তকৰণ পদক্ষেপত চুবুৰীয়া নাগালেণ্ড চৰকাৰৰ পৰাও প্ৰয়োজনীয় সহযোগিতা লাভ কৰাৰ কথা তেওঁ অৱগত কৰে। এই পৰিদৰ্শনৰ সময়ত স্থানীয় বিধায়ক বিশ্বজিৎ ফুকন, বিশেষ মুখ্য সচিব (বন) এম কে যাদৱ, আৰক্ষী মহাপৰিদৰ্শক (আইন-শৃংখলা) অখিলেশ কুমাৰ সিং, জিলা আয়ুক্ত পুলক মহন্ত প্ৰমুখ্যে অন্যান্য প্ৰশাসনিক বিষয়ববীয়াসকল উপস্থিত আছিল।

## অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ বৃহত্তৰ শুৱালকুছি শাখাৰ

নিজৰ দেশ জাতি মাটি পিতৃ-মাতৃক পাহৰি নিজৰ মাজতে বিলীন হৈ পৰে তেনে শিক্ষাক শিক্ষিত আখ্যা দিব নোৱাৰি বা আমি সমাজে তেনে ধৰণৰ শিক্ষা দিব বিচৰা নাই বুলি কয়। শিক্ষাই নিজৰ জীৱন পোহৰাই তোলাৰ লগতে সেই পোহৰত সমাজ উজ্বলি উঠিব লাগিব বুলি কয়।আন এগৰাকী অতিথি শুৱালকুছি বুদৰাম-মাধব সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ডক্টৰ নিহাৰঞ্জন কলিতাই ছাত্ৰ-ছাত্ৰী সকলৰ উচ্চ শিক্ষাৰ গতিশীলতাত বাট বুলি যদি মূল চালিকা শক্তিৰ পৰা পথভ্ৰষ্ট হয় তেনে আঘাত হব সমাজত। যি পথৰেই উচ শিক্ষাৰে শিক্ষিত নহক কিয় তাৰ ধৰোহৰ নিজৰ দেশ মাতৃৰ সেৱাহে। শিক্ষিত হোৱাৰ সমান্তৰালভাৱে নিজে আৰ্থিকভাৱে স্বচ্ছল হোৱাৰ লগতে ছাত্ৰ-ছাত্ৰী সকল কোন দিশে গতি কৰি সফলতা লাভ কৰিছে অনুজ সকলৰ বাবে উদাহৰণ হ'ব লাগিব। স্বাৱলম্বিতাৰে দেশৰ দহৰ উপকাৰ সাধিব পাৰিলেহে এই সম্বৰ্ধনা সভাৰ সাৰ্থক হ'ব বুলি মন্তব্য কৰে। সভাত উদীয়মান নাট্য শিল্পী ৰাজকুমাৰ তালুকদাৰ বিদ্যাৰ্থী পৰিষদৰ ৰাজ্যিক সম্পাদক হৰোন মহন, ১৩ নং শুৱালকুছি জিলা পৰিষদৰ সদস্য ধীৰাজ মহন্তয়ো ছাত্ৰ-ছাত্ৰীসকলৰ সাফল্যৰ নিৰ্মোহ অধ্যাৱসায়ৰ সাধনাৰ আৰৰ কন্টকময় পথৰ বিশ্লেষণ কৰে। যত প্ৰতি মুহূৰ্ততে আছে প্ৰত্যাহ্বান। অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ বৃহত্তৰ শুৱালকুছি শাখাৰ সভাপতি তীৰ্থনাথ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা সভাৰ প্ৰাক্ক্ষণত ভাৰত মাতাৰ বেদীত বন্তি প্ৰজ্বলন কৰি স্থানীয় শিল্পী কস্তুৰী মেধিৰ এটি বৰগীতৰে সভাৰ কাম আৰম্ভ কৰে।

## নগাঁৱৰ ধিঙত অসম আন্দোলনৰ সতীৰ্থ সন্মিলনৰ পুনৰ

খগেন্দ্ৰ নাথ দেৱশৰ্মাই বৃক্ষৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে ৰুদ্ৰকান্ত শইকীয়াই সভাৰ আদৰণি ভাষণ আগবঢ়ায়। উল্লেখ্য যে- অসম আন্দোলনত প্ৰাণআহুতি দিয়া শ্বহীদসকলক স্মৰণ কৰি ৰ মিনিট সময় মৌণপ্ৰাৰ্থনা কৰা হয় আৰু গছপুলি ৰোপণ কাৰ্যসূচী হাতত লোৱা হয়। তদুপৰি অসম আন্দোলনৰ লগত জড়িত প্ৰায় ৮০ গৰাকী কৰ্মীৰ নিজৰ চিনাকি পৰ্ব কাৰ্যসূচী হাতত লোৱাৰ লগতে একোখনকৈ ফুলাম গামোচাৰে সমিতিৰ ফালৰ পৰা সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে সতীৰ্থসকলৰ সহায়-সহযোগিতাৰ মাজেদিয়েই অনাগত দিন সমূহত এনেদৰেই অনুষ্ঠানভাগ সজীৱ কৰি ৰাখিব লাগিব বুলি সভাৰ উদোক্তাসকলে কামনা কৰাৰ লগতে সভাতেই ধিং অঞ্চলৰ সত্ৰ সমূহ বে দখলকাৰীৰ কৱলৰ পৰা মুক্ত বাবে চৰকাৰক দাবী জনায়।

# কামৰূপ জিলা উন্নয়ন সমন্বয় আৰু নিৰীক্ষণ সমিতিৰ বৈঠক




**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ জিলা উন্নয়ন সমন্বয় আৰু নিৰীক্ষণ সমিতিৰ সভাখন যোৱা ১৫ জুলাইত কামৰূপ জিলাৰ আমিনগাঁওস্থিত সংহত জিলা কাৰ্যালয়ৰ সভাকক্ষত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধিৰ অধ্যক্ষতাত অনুষ্ঠিত হয়। সভাত ১১ টা বিভাগ ক্ৰমে কামৰূপ জিলা পৰিষদ, জনস্বাস্থ্য কাৰিকৰী, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, কৃষি, লোক নিৰ্মাণ (পথ), শিক্ষা, সমাজ কল্যাণ, মীন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা আৰু দক্ষতা উন্নয়নৰ অধীনত কামৰূপ জিলাত ৰূপায়িত বিভিন্ন আঁচনি আৰু প্ৰকল্পৰ অগ্ৰগতিৰ পুংখানুপুংখ পৰ্যালোচনা কৰা হয়। কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ আদৰণী ভাষণৰে আৰম্ভ হোৱা সভাত প্ৰথমেই কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামীয়ে জিলাখনত প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ), মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনি, অমৃত সৰোবৰ আঁচনিৰ অধীনত উন্নয়ন খণ্ডসমূহত চলি থকা কামৰ অগ্ৰগতিৰ খতিয়ান দাঙি ধৰে। সভাত লগতে ৰাষ্ট্ৰীয় সামাজিক সাহায্য কাৰ্যসূচী, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত চলি থকা কামৰো পৰ্যালোচনা কৰা হয়। একেদৰে সভাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা ৰূপায়িত জলজীৱন মিছন, হৰ ঘৰ জল, স্বচ্ছ ভাৰত অভিযান, কৃষি বিভাগৰ দ্বাৰা ৰূপায়িত পি এম কিষাণ, প্ৰধান মন্ত্ৰী ফচল বীমা যোজনা, ধান আৰু সৰিয়হ ক্ৰয়, লোক নিৰ্মাণ (পথ) বিভাগৰ প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনা, ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ পুঁজিৰ অধীনৰ পথ, অসম মালাৰ অধীনৰ পথ, মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনি, মুখ্যমন্ত্ৰীৰ পথ নৱীকৰণ আঁচনিৰ লগতে শিক্ষা, সমাজ কল্যাণ, মীন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা, দক্ষতা উন্নয়ন আদি বিভাগৰ দ্বাৰা ৰূপায়িত আঁচনি আৰু প্ৰকল্পৰ কামসমূহ পৰ্যালোচনা কৰা হয়। সাংসদ বিজুলী কলিতা মেধিয়ে জিলাখনত এই বিভাগকেইটাৰ দ্বাৰা ৰূপায়িত আঁচনিৰ অগ্ৰগতিত সন্তুষ্টি প্ৰকাশ কৰি দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আদৰ্শৰে জিলাখনক বিকাশৰ দিশত আগুৱাই নিব লাগিব বুলি উল্লেখ কৰে। সাংসদগৰাকীয়ে লগতে জিলাখনৰ উন্নয়নমূলক কাম-কাজ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে সকলো চৰকাৰী বিভাগে দায়িত্বসহকাৰে কাম কৰিব লাগিব বুলি কৰে। তেওঁ নৱনিৰ্বাচিত পঞ্চায়তৰ প্ৰতিনিধিসকলকো নিজ নিজ এলেকাত বিভিন্ন চৰকাৰী বিভাগৰ অধীনত ৰূপায়িত আঁচনি আৰু প্ৰকল্পৰ কামসমূহ সূক্ষ্মভাৱে নিৰীক্ষণ কৰাৰ লগতে এনে কামত কোনো আসোঁৱাহ থাকিলে জিলা উন্নয়ন সমন্বয় আৰু নিৰীক্ষণ সমিতিৰ পৰৱৰ্তী বৈঠকত উত্থাপন কৰিবলৈ আহ্বান জনায়। সভাত পলাশবাৰীৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, কামৰূপৰ জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত, ৰঙিয়াৰ সম-জিলা আয়ুক্ত দেৱাশীষ গোস্বামী আৰু বিভিন্ন চৰকাৰী বিভাগৰ মুৰব্বী বিষয়াসকলৰ লগতে আন আন বিধান সভা সমষ্টিৰ বিধায়কসকলৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

# নগাঁৱৰ বড়মপুৰৰ পিনাক পানী ৰিজটত ডকাইতি কাণ্ড সংঘটিত

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলা বড়মপুৰত অৱস্থিত পিনাকপানী ৰিজট আৰু ফেমিলি ধাৱাত এক ডকাইটি কাণ্ড সংঘটিত হৈ যায়। জানিব পৰা মতে - মুখত কলা কাপোৰ বান্ধি অহাৰ লগতে হিন্দী ভাষা উচ্চাৰিত কেইজনমান মৰণাঅস্ত্ৰ ধাৰী যুৱকৰ দল আহি প্ৰথমে ধাৱাখনৰ স্বত্বাধিকাৰী পিতাম্বৰ শইকীয়াৰ লগতে কৰ্মচাৰী কেইজনক এটা কোঠাত আবদ্ধ কৰি ডকাইটি কাণ্ডটো সংঘটিত কৰে। ধাৱাখনৰ পৰা ডকাইটি দলটোৱে চি, চি টিভি মনিটৰ আৰু নগদ কেইবাহাজাৰো ধন লৈ উধাও হয়। উল্লেখ্য যে ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত চলাই আছে যদিও বাতৰি লিখা সময়লৈকে ডকাইটি দলটোৰ কোনো এজন লোককো আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হোৱা নাই।

# নগাঁৱত 'সুৰ সাধনা'ৰ পোন্ধৰ দিনীয়া বিশেষ গ্ৰীষ্মকালীন শিবিৰ সম্পন্নক্ল

**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁৱৰ সংগীত শিক্ষাৰ অগ্ৰণী প্ৰতিষ্ঠান ক্সসুৰ সাধনাক্সৰ বিগত ২৪ বছৰীয়া অবিৰত যাত্ৰাৰ অংশ হিচাপে এইবেলিও পোন্ধৰ দিনীয়া এটি বিশেষ গ্ৰীষ্মকালীন শিবিৰ অনুষ্ঠিত কৰা হয়। যোৱা পহিলা জুলাইৰ পৰা নিউ আমোলাপট্টিত থকা 'সুৰ সাধনা'ৰ শ্ৰেণীকোঠাত অনুষ্ঠিত হোৱা উক্ত শিবিৰটি ১৫ জুলাইত সফলতাৰে সামৰণি পৰে। এইবাৰ এই শিবিৰত প্ৰশিক্ষাৰ্থীসকলক সংগীতৰ লগতে তেওঁলোকৰ মানসিক উৎকৰ্ষ সাধনৰ প্ৰতি লক্ষ্য ৰাখি সংগীতৰ বিভিন্ন গীত শৈলীৰ এটি আভাষ দিয়া হয়। অৰ্ধ শতাধিক প্ৰশিক্ষাৰ্থীৰ অংশগ্ৰহণেৰে আয়োজিত উক্ত শিবিৰৰ বিভিন্ন শ্ৰেণীত উপস্থিত থাকি প্ৰশিক্ষাৰ্থীসকলক প্ৰদ্যুৎ মিশ্ৰই শাস্ত্ৰীয় সংগীত, আৰিফুল হকে গজল, মানদ্বীপ মহন্তই শিশু আৰু সংস্কৃত গীত, যতীন্দ্ৰ নাথ মহন্তই গীতিকাৰ ৰেণু মহন্তৰ অসমীয়া আধুনিক গীত, সুৱাগমনি মহন্তই বৰগীত, ভজন সুগম সংগীত আৰু চবনম মেঘালীয়ে ৰবীন্দ্ৰ সংগীতৰ লগতে সুকণ্ঠী গায়িকা বিৰিণা পাঠকৰ দ্বাৰা কামৰূপী লোকগীতৰ সুকঞ্জষ্মভাৱে জ্ঞান দিয়াৰ লগতে চৰ্চা কৰোৱা হয়। তদুপৰি সংগীতৰ বিভিন্ন দিশ সামৰি বিশ্বজ্যোতি বৰাৰ জৰিয়তে এটি কুইজৰো ব্যৱস্থা কৰা হয়। ইফালে, শিবিৰৰ সামৰণিৰ দিনা প্ৰশিক্ষাৰ্থীসকলে আটাকেইদিনৰ শ্ৰেণীসমূহৰ পৰা আয়ত্ত কৰা একাংশ গীত শৈলী সুন্দৰভাৱে পৰিৱেশন কৰে। অনুষ্ঠানত তবলা সংগত কৰে সংগীত শিল্পী অতুল মহন্তই। গ্ৰীষ্ম বন্ধৰ এই সময়ছোৱাত এনেদৰে সংগীতৰ প্ৰতি আগ্ৰহী শিক্ষাৰ্থীসকলৰ কল্যাণাৰ্থে গ্ৰহণ কৰা এনে পদক্ষেপৰ বাবে 'সুৰ সাধনা'ৰ অধ্যক্ষা সুৱাগমণি মহন্তৰ লগতে সমূহ কৰ্মকৰ্তাৰ শলাগ লৈছে নগএগুা সচেতন লোকসকলে।

# আপোনাক উদ্দেশ্য কৰি কৰা অপমানবোৰ সদায় মনত ৰাখি চলিব

**চন্দ্ৰ শেখৰ পৰাজুলী,** বিশ্বনাথ চাৰিআলি

**আ**চলতে মানৱ প্ৰবৃত্তি বুলি ক'লেই এক কৌতূহলৰ বিষয়। কাৰণ মানুহে হ'ল মানৱীয় জীৱনৰ প্ৰধান শত্ৰু। প্ৰকৃততে মানুহৰ এজনৰ প্ৰধান ধৰ্ম হ'ব লাগে যে মানুহে মানুহক সহায়ৰ হাতখনি আগবঢ়াই দিয়া। আৰু যদিও সহায়ৰ হাত আগবঢ়াই দিয়াত অসমৰ্থ হয় তেন্তে বেলগ এজন মানুহৰ ক্ষতিসাধন কৰাৰো কাৰো অধিকাৰ নাথাকে। বিশেষকৈ মানুহৰ ব্যক্তিগত জীৱনক উদ্দেশ্য কৰি হিংসা, ঘৃণা, অপমান আৰু অপবচন কোৱাৰ দৰে তাতকৈ নিন্দনীয় কথা আন একোকে হ'ব নোৱাৰে। সেয়েহে আমাতকৈ বহু আগতে এই ধৰাতলত জন্মগ্ৰহণ কৰা বিদগ্ধ পণ্ডিতসকলে কৈ গৈছে যে, আপুনি জীৱন কালত কিমান দান, ধৰ্ম কৰিছে পাহৰি পেলাওক, লগতে আপোনাৰ জীৱনত পোৱা সকলোবোৰ সন্মান, পদ, প্ৰতিষ্ঠা পাহৰি যাওক আৰু যদি মনত ৰাখিবলৈ আছে তেন্তে আপোনাক উদ্দেশ্য কৰি কৰা অপমানবোৰ সদায় মনত ৰাখি চলিব। কাৰণ জীৱ শ্ৰেষ্ঠ মানুহ এজন হৈ এই সংসাৰত জন্মগ্ৰহণ কৰাৰ পিছৰে পৰা নিজৰো আত্মসন্মান, আত্ম মৰ্যদা বুলি কিবা নহয় কিবা নিজস্বতা বুলি আত্ম গৌৰস্ববিত কৰা ভাবধাৰা অন্তৰ্নিৰ্হিত হৈ থাকে। আমি কাৰোবাক কিবা কাৰণবশত তেওঁ কৰি থকা সৎ বা ভাল কৰ্মবোৰত যদিও উৎসাহ প্ৰদানত অসমৰ্থ তেন্তে অন্যান্য লোকক উদ্দেশ্য কৰি বা কৰি থকা কৰ্মবোৰক লৈ হিংসা, নিন্দা, অপবচন, অপমান কৰাৰো আমাৰ মাজত অধিকাৰ নাই। কিন্তু বৰ্তমান সময়ত নিজকে নিজে বা নিজে কৰি থকা কৰ্মবোৰৰ প্ৰতি নিজে দৃষ্টি প্ৰদান কৰাতকৈ অন্যান্য লোকৰ বিষয়বস্তুৰ প্ৰতি আমাৰ চোকা দৃষ্টি পৰে। ইয়াৰ ফলত এক অপমান দায়ক পৰিৱেশ, পৰিস্থিতিৰ সৃষ্টি হৈ পৰে। সেয়েহে প্ৰতিজন মানুহে সময় অনুপাতে হয়তো শাৰীৰিকভাৱে বা বলপূৰ্বকভাৱে কৰা প্ৰহাৰবোৰো পাহৰি পেলাব পাৰে কিন্তু বেচিভাগ মানুহে আন্তৰিকভাৱে, অপমান মূলক প্ৰহাৰ বহু বছৰ ধৰি বছৰ মানুহৰ মনতে ঘৰ বান্ধি থাকে। গতিকে মানুহ এজনৰ কৰি থকা কৰ্মবোৰৰ জৰিয়তে আপোনাৰ যদি বহু ক্ষতিসাধন হৈছে বা বহু সমস্যাৰ সন্মুখীন হৈছে তেন্তে পৰাপক্ষত সুস্থভাৱে বহি সুন্দৰ ৰূপত বাদ, বিবাদৰ মাজেদি কথাবোৰ মীমাংসা কৰি ল'বলৈ যত্ন কৰক। কিন্তু ভুলতো কেতিয়াও আত্মসন্মানত আঘাত কৰাকে অপমানিত কৰি নিদিব। কাৰণ আপমানৰ ঘাঁহ হেনো মৃত্যুৰ পিছতো নুশুকায়।

# ৰাজ্যিক নিৰ্বাচন আয়োগ, অসম
# STATE ELECTION COMMISSION, ASSAM

## বিটিচি খচৰা ভোটাৰ তালিকা ২০২৫ ত আপোনাৰ নাম পৰীক্ষা কৰক

https://ermssec.assam.gov.in

**ডাউনলোড PDF ভোটাৰ তালিকা**

জিলাৰ নাম বাছনি কৰক

বিটিচি সমষ্টিৰ নাম বাছনি কৰক

ডাউনলোড

**EPIC নম্বৰৰ যোগেদি সন্ধান কৰক**

EPIC নম্বৰ দিয়ক

সন্ধান কৰক

### গুৰুত্বপূৰ্ণ তথ্য :

- খচৰা ভোটাৰ তালিকা সমষ্টিৰ ভিতৰত অৱস্থিত চক্ৰ বিষয়াৰ কাৰ্য্যালয় ,খণ্ড উন্নয়নৰ কাৰ্য্যালয়, পৌৰসভাৰ কাৰ্য্যালয়, নগৰ সমিতি, উপ পঞ্জীয়কৰ কাৰ্য্যালয়, গাঁও পঞ্চায়ত/গাঁও পৰিষদ উন্নয়ন সমিতিৰ কাৰ্য্যালয় আৰু জিলা প্ৰশাসনৰ চৰকাৰী ৱেবছাইটত নাগৰিকৰ বাবে উপলব্ধ হ'ব।
- দাবী আৰু আপত্তি দাখিলৰ বিষয়ে জানিবলৈ নিৰ্বাচনী বিষয়া /সহকাৰী নিৰ্বাচনী বিষয়া আৰু জিলাৰ বিষয়া সকলৰ সৈতে যোগাযোগ কৰক।
- দাবী আৰু আপত্তি দাখিলৰ পদ্ধতিসমূহ নিৰ্বাচনী বিষয়াৰ কাৰ্য্যালয়/ সহকাৰী নিৰ্বাচনী বিষয়াৰ কাৰ্য্যালয়ৰ লগতে জিলা প্ৰশাসন আৰু ৰাজ্যিক নিৰ্বাচন আয়োগৰ ৱেবছাইটতো উপলব্ধ হ'ব।
- দাবী আৰু আপত্তিৰ প্ৰ-পত্ৰ দাখিল কৰাৰ অন্তিম তাৰিখ ০৫.০৮.২০২৫।


https://ermssec.assam.gov.in or https://sec.assam.gov.in

Published by Directorate of Information & Public Relations, Assam    Connect with us @diprassam    dipr.assam.gov.in

Subscribe to Asom Barta  Whatsapp 'Assam' at 7636834943

Janasanyog RO no 1351/25/1-August-25

# লক্ষীমপুৰ জিলা সাহিত্য সভাৰ মুখপত্ৰ আৰু কাব্য কানন প্ৰকাশ




**বিতোপন গগৈ, লখিমপুৰ ঃ** অসম সাহিত্য সভাৰ প্ৰথমগৰাকী সভাপতি পদ্মনাথ গোহাঞিবৰুৱাৰ জন্ম স্থান লক্ষীমপুৰ। এই গৌৰৱ উজ্বল বন্তিৰ পোহৰত জিলা সাহিত্য সভাৰ গুৰুত্বপূৰ্ণ কাৰ্যক্ৰমণিকাত বিভিন্ন সময়ত অংশগ্ৰহণ কৰি বহুতেই নিজৰ পাৰদৰ্শিতাৰে সাহিত্য কৰ্ম সম্পাদন কৰি আহিছে। ইয়াকে প্ৰতিপন্ন কৰি তুলিছে যোৱা ১২ জুলাইত উন্মোচন হোৱা লক্ষীমপুৰ জিলা সাহিত্য সভাৰ মুখপত্ৰ ‘সোৱণশিৰি’ৰ এক বিংশ সংখ্যা আৰু কাব্য কাননে। তেলাহী কমলাবৰীয়া শাখা সাহিত্য সভাৰ উদ্যোগত পানীগাঁও অ’, পি, ডি মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা জিলাৰ দ্বিতীয়খন পূৰ্ণাঙ্গ কাৰ্যনিৰ্বাহক সভাত সভাপতিত্ব কৰে সঞ্জীৱ উপাধ্যায়ে। গ্ৰন্থ দুখন উন্মোচন কৰে ক্ৰমে অধ্যক্ষ ড° সুৰেশ দত্ত আৰু লক্ষীমপুৰ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক সঞ্জীৱ বৰাই। জিতেন বৰুৱাৰ সম্পাদনাত প্ৰকাশিত ‘সোৱণশিৰি’ত লিখিছে- বড়ো সমাজ আৰু সংস্কৃতিৰ ধাৰা-বিষয়ত মহেন্দ্ৰ দৈমাৰীয়ে, হোমেন বৰগোহাঞিৰ ৰচনাত ঢকুৱাখনা, চাৰিকড়ীয়া নৈ আৰু মহঘুলি চাপৰিৰ প্ৰসংগত বগেন গগৈ, নামঘোষাত সমতা আৰু বিশ্বজনীন আবেদন ঃ এক চমু অৱলোকন-প্ৰশান্ত বাৰিক। অন্যান্য লেখক-লেখিকাসকল- ভৰত ৰাজখোৱা, ৰীণা শইকীয়া, মীনা ফুকন হাজৰিকা, ৰেণু ভূঞা ফুকন, কুঞ্জ বুজৰবৰুৱা, প্ৰণিতা শইকীয়া বৰা, পল্লৱী নেওগ বৰা, ভাগ্যলক্ষ্মী ডেকা, নিৰ্মালি পূজাৰী, গোলাপ দিহিঙীয়া, নিৰুপমা বুঢ়াগোহাঁই ইত্যাদি। সম্পাদনা সমিতিত আছে- অনিল শইকীয়া, হেমন্ত শইকীয়া, ড° চুফিয়া খাতুন, ধনদা বৰুৱা। অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ শুভেচ্ছা বাৰ্তা আৰু জিলা সাহিত্য সভাৰ সভাপতি সঞ্জীৱ কুমাৰ উপাধ্যায়ৰ একলম আছে। জিলা সম্পাদক প্ৰবীণ হাজৰিকাৰ আংশিক প্ৰতিবেদন সন্নিৱিষ্ট হৈছে। অন্যহাতে অপৰাজিতা হাজৰিকাৰ সম্পাদনাত প্ৰকাশিত কাব্য কাননত প্ৰধান সম্পাদক দেৱজিত বৰাৰ শুভেচ্ছা বাৰ্তা আছে। কবিতাৰে সজাইছে- ড° তৰুণ চন্দ্ৰ বৰা, লাৱণ্য দত্ত শইকীয়া, চন্দিকা দত্ত কোঁৱৰ, নৃপেন ফুকন, জিনুমণি সাধনী বৰা, চন্দ্ৰ কুমাৰ দত্ত, নীৰপ্ৰভা ফুকন, জ্যোতি চলিহা, গুণ ভূঞা, ড° স্বপ্নালী গগৈ, অনন্যা সন্দিকৈ, ললিত শইকীয়া, সঞ্জীৱ উপাধ্যায় আদি।

# বিশিষ্ট সাহিত্যিক তথা জোনাকীৰ পোহৰ শীৰ্ষক উপন্যাসৰ স্ৰষ্টা অমূল্য কুমাৰ ভাগৱতীৰ দেহাৱসান



**লক্ষ্যজ্যোতি বৰা ঃ** অসমীয়া সাহিত্যলৈ জোনাকীৰ পোহৰ উপন্যাসেৰে বিশেষ অৱদান আগবঢ়োৱা তথা অসম সাহিত্য সভাৰ ২০১৩ বৰ্ষৰ দ্বিসপ্ততিতম বৰপেটাৰোড অধিৱেশনত শ্ৰেষ্ঠ উপন্যাস বঁটাপ্ৰাপক বিশিষ্ট কবি, গল্পকাৰ অমূল্য কুমাৰ ভাগৱতীৰ যোৱা ৩০ জুলাই তাৰিখে পুৱা ৭-২০ বজাত সাহিত্যিকগৰাকীৰ ফুলগুৰি অঞ্চলৰ পূৱ শালমৰাস্থিত আপোন গৃহত ৮৩ বছৰ বয়সত পৰলোকপ্ৰাপ্তি ঘটে। ভাগৱতীৰ মৃত্যুত বৃহত্তৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। উল্লেখ্য যে নগাঁও জিলা কবি সন্মিলনৰ অন্যতম উপদেষ্টা, শ্ৰীমন্ত শঙ্কৰদেৱ সেৱক সংঘৰ একনিষ্ঠ সেৱক ভাগৱতীলৈ নগাঁও জিলা কবি সন্মিলনৰ হৈ সন্মিলনৰ পতাকা অৰ্পণেৰে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে নগাঁও জিলা কবি সন্মিলনৰ প্ৰতিষ্ঠাপক সম্পাদক মদাৰজ্যোতি, ফুলগুৰি আঞ্চলিক কবি সন্মিলনৰ উপসভাপতিদ্বয় ক্ৰমে জিনু বৰা, বিনয় দাস আৰু উপদেষ্টা ভাস্কৰ জ্যোতি ডেকাই।

# বোকাখাতত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ গোলাঘাট জিলা সমিতিৰ অষ্টম দ্বি-বাৰ্ষিক অধিবেশন

**মৃদুস্মিতা শৰ্মা ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থা, গোলাঘাট জিলা সমিতিৰ অষ্টম দ্বি-বাৰ্ষিক অধিবেশন বোকাখাতৰ কেন্দ্ৰীয় বিহুতলীৰ বাকৰিত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। বোকাখাত, গোলাঘাট, দেৰগাঁও, সৰুপথাৰ, বৰপথাৰ আৰু খুমটাই শাখা সহযোগত অনুষ্ঠিত হোৱা অসম চাহ জনজাতি ছাত্ৰ সন্থা, গোলাঘাট জিলা সমিতিৰ এই অষ্টম দ্বি-বাৰ্ষিক অধিৱেশনৰ পুৱাতে পতাকা উত্তোলন কৰে ছাত্ৰ সংগঠনটোৰ গোলাঘাট জিলা গোটৰ সভাপতি ৰাবুল তুৰীয়ে। স্মৃতি তৰ্পণ কৰে জিলা সম্পাদক সুশীল কালিন্দীয়ে। এই অনুষ্ঠানতে অসম চাহ জনজাতি মহিলা সমিতিৰ সদস্যসকলে পৰিৱেশন কৰে আটছাৰ বন্দনা গীত। পৰৱৰ্তী সময়ত অধিৱেশন থলীৰ পৰা এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰা উদ্বোধন কৰে বোকাখাত সম জিলাৰ সহকাৰী আয়ুক্ত কুশল কলিতাই। বিয়লিলৈ ‘সাহিত্য-বৌদ্ধিক চিন্তা আৰু সামাজিক মাধ্যমৰ ধনাত্মক ব্যৱহাৰিক গুৰুত্ব’ শীৰ্ষক এক আলোচনাচক্ৰ অনুষ্ঠিত হয়। মৰাণ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক আত্মাৰাম কুমাৰে সঞ্চালনা কৰা এই আলোচনা-চক্ৰ উদ্বোধন কৰে অসম চাহ জনগোষ্ঠী সাহিত্য সভাৰ প্ৰধান সম্পাদক সঞ্জীৱ কৈৰীয়ে। আলোচনা-চক্ৰত সন্মানীয় অতিথি হিচাবে অংশগ্ৰহণ কৰে আটছাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক জগদীশ বৰাইক। আলোচক হিচাবে উপস্থিত থাকে জে.ডি.এছ.জি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়ন্ত গগৈ, মৰিয়নী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেণ গোৱালা, লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী সূৱৰ্ণ শইকীয়া বৰদলৈ, পংকজ কালিন্দী, ড° অশোক বাঢ়ৈ আৰু ধৰ্মেশ্বৰ বাঢ়ৈয়ে। আলোচনা-চক্ৰত আটছা আৰু আটুৱাৰ প্ৰতিনিধিৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। আলোচনাচক্ৰৰ পিচতেই আটছাৰ গোলাঘাট জিলা সমিতিৰ সভাপতি ৰাবুল তুৰিৰ পৌৰোহিত্যত মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাত আদৰণি ভাষণ প্ৰদান কৰে উদ্‌যাপন সমিতিৰ সভাপতি জিতু শৰ্মা ৰাজখোৱাই। উদ্বোধনী ভাষণ প্ৰদান কৰে আটছাৰ গোলাঘাট জিলা সমিতিৰ সম্পাদক সুশীল কালিন্দীয়ে। মুকলি সভাতেই অধিৱেশনৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা সেউজ প্ৰভাকৰ নামৰ স্মৃতিগ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে কলিয়াবৰৰ সাংসদ কামাখ্যা প্ৰসাদ তাচাই। মুকলি সভাত আটছাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ধীৰাজ গোৱালা, কেন্দ্ৰীয় সম্পাদক জগদীশ বৰাইক, আটুৱাৰ প্ৰতিষ্ঠাপক তথা কৃতি শিক্ষয়ত্ৰী মামনী গাজলু, অধিবক্তা যোগেশ ভূঞা, বোকাখাতৰ পৌৰপতি ৰত্নেশ্বৰ বৰুৱা, অধিবক্তা জগত কলিতা, বিশিষ্ট চিকিৎসক ডাঃ পঙ্কজ খেৰিয়া, প্ৰাক্তন কেন্দ্ৰীয় সাংগঠনিক সম্পাদক ৰঞ্জন কালিন্দী, স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সভানেত্ৰী সুৱৰ্ণ শইকীয়া বৰদলৈ, সম্পাদক পংকজ কালিন্দী, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ বোকাখাত গোটৰ উপদেষ্টা তথা অধিবক্তা কিশোৰ ছেত্ৰী, জাতীয় মহাসভাৰ সভাপতি শিৱচৰণ লোহাৰ আৰু আটছাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক অনিত গড়ৰ প্ৰমুখ্যে আমন্ত্ৰিত ব্যক্তিসকল উপস্থিত থাকে। আমন্ত্ৰিত অতিথিসকলক উদ্‌যাপন সমিতিৰ তৰফৰ পৰা ফুলৰ তোৰা পৰম্পৰাগত গামোছা আৰু একোটাকৈ স্মাৰকে আদৰণি জনোৱা হয়। ইফালে বিভিন্ন শাখাৰ প্ৰতিনিধিৰ উপস্থিতিত বোকাখাত নাট্যমন্দিৰত বিষয় বাচনি সভাও অনুষ্ঠিত হয়। নিশালৈ পদ্মশ্ৰী দুলাল মানকিৰ গীতেৰে অনুষ্ঠিত সাংস্কৃতিক সন্ধ্যাৰে অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ গোলাঘাট জিলা সমিতিৰ অষ্টম দ্বি-বাৰ্ষিক অধিবেশনৰ সামৰণী পৰে। সাংস্কৃতিক সন্ধ্যা উদ্বোধন কৰে বিশিষ্ট কণ্ঠ শিল্পী নুনুসিং কৰ্মকাৰে। উল্লেখ্য যে আটছাৰ গোলাঘাট জিলা সমিতিৰ এই অষ্টম দ্বি-বাৰ্ষিক অধিবেশনৰ ২৬ আৰু ২৭ জুলাইত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱাৰ কথা আছিল। বোকাখাতৰ গড়মূৰত ইয়াৰ বাবে নিৰ্মাণ কৰা হৈছিল অস্থায়ী মঞ্চ আৰু সভাগৃহ। দুদিনৰ পূৰ্বে হোৱা প্ৰৱল ধুমুহাই মঞ্চ আৰু সভাতলী ভাঙি পেলোৱাত অধিৱেশনৰ স্থান পৰিৱৰ্তন কৰাৰ লগতে ২৬ জুলাইৰ কাৰ্যসূচী বাতিল কৰি বোকাখাতৰ কেন্দ্ৰীয় বিহুতলীত দিনজোৰা কাৰ্যসূচীৰে অধিৱেশন অনুষ্ঠিত হয়। অধিৱেশন স্থলীত স্থানীয় শিল্পী মুনিন্দ্ৰ বৰদলৈয়ে নিৰ্মাণ কৰি উলিওৱা কাজিৰঙাৰ বানপানীৰ ক্ষুদ্ৰ সংস্কৰণে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে।







স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা